চান্দমামা

ডিছেমবাৰ ১৯৯০



CITY MUSIC CO., PTE LTD.
Singapore Tel: 3377058, 3377545

ONFLO MUSIC CO., LTD.
Hong Kong Tel: 722 4195

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel: 221724

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel: 224131/2/3

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel: (02)6473995

ARABIAN CAR MARKETING CO.,LTD.
Oman Tel: 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan

SA-PT

"ককা, তোমাৰ
চশমাযোৰ বিছাৰি পালোঁ...
এতিয়া, মোৰ ট্ৰীট ক'তা ?"
এয়া লোৱাঁ!
কেম্পকো ট্ৰীট-মুখৰোচক কাৰামেল মিল্ক চকলেট বাৰ, সোৱাদ যাৰ কিযে মজাৰ!
আ-আহা!
কেম্পকো ট্ৰীট ! যিকোনো উপলক্ষৰে আনন্দক প্ৰাণবন্ত কৰি তোলা উপায়। সোৱাদেৰে ভৰা কাৰামেল আৰু পুষ্টিকাৰক মিল্ক চকলেট, দুয়োৰে কি মধুৰ মিলন... ইমান মজাৰ সোৱাদ, শুনিলেই মুখৰ পানী ওলায় ! বন্ধু-বান্ধৱৰ প্ৰাণ ভৰোৱা, লগতে নিজেও খোৱা ! ভৰপূৰ স্বাদৰ ট্ৰীট... কেম্পকো ট্ৰীট !
Campco
Treat
TOP QUALITY
LOW PRICE
কেম্পকো ট্ৰীট: প্ৰতিটো উপলক্ষকে মধুৰ কৰি তোলে!
ভাৰতৰ সৰ্ব্ববৃহৎ, সৰ্ব্বাধুনিক প্লাণ্টৰ উপহাৰ কেম্পকো লিমিটেড, মেঙ্গালোৰ।
R K SWAMY/CL/8348/AS
Campco chocolates: Milk
White
Treat
TURBO
Eclairs
mega bite
Playtime
RUBIES
TOFFEE
Assorted Gift Box
Campco beverages: WINNER
COCOA

চান্দমামা

*

ডিছেম্বৰ ১৯৯০

এই * সংখ্যাত * আছে

*

ভাবি চোৱা উচিত	:	৭
পশ্চিম এছিয়াত যুদ্ধৰ ক'লামেঘ		৯
মাৰণ-জীয়ন	:	১১
দস্যু যুৱৰাজ	:	১৭
বন্দী	:	২৫
জ্ঞান-ভাণ্ডাৰ	:	৩৩
শ্ৰাৱস্তী নগৰ	:	৩৪
শ্ৰীৰামকৃষ্ণ পৰমহংস	:	৩৭
মহাৰাজ যোগ	:	৪১
বীৰ হনুমান	:	৪৫
সমস্যাৰ সমাধান	:	৫৩
মহাকাব্য	:	৫৮
গাঁওবুঢ়াৰ গাপ	:	৬১
প্ৰকৃতিৰ বিস্ময়	:	৬৩

*

চান্দমামা

খনে : ৩·০০ বছৰেকীয়া বৰঙণি ৩৬·০০টকা মাথোন

''मेरि'' गोल्ड कवरिंग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

Ta dum,
They
is here
Oops!
Kiddy grammar
sure is catchy—Ya,
they are here.
Bow Wow 'n' Floppy the doggies (wuff! wuff!), Jumbo the elephant, Wobbit the rabbit, Teddy 'n' Sporty your bear buddies, the mouse of your house—Squeeks, not to mention Flipper the dolphin 'n' Bunny with the Twins. They are all part of the CUDDLES family. And hang on—there's more to come.
The one thing we didn't do while making our toys was fool around. We left that entirely for your kid to do. Come, check us out.
What stuffing to use, what shape to give, which colour to use...... We've spent long months in designing and crafting the toys which can take on the toughest torture test ever—childhandling. To ensure that they're safe.
CUDDLES
CHANDAMAMA TOYTRONIX
Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras-600 026.

চান্দমামা

সংস্থাপক : চ ক্ৰ পা ণি   সঞ্চালক : বি নাগি ৰেড্ডি

ভাবি চোৱা উচিত

মানৱ জাতিয়ে সদায় সৰ্বোত্তম পথ লয় বুলি ক'ব নোৱাৰি। কেতিয়াবা, ভালৰ ঠাইত বেয়াইহে আমাক অধিকাৰ কৰা হয়। তথাপি. সমাজত সদায় কিছু সংখ্যক বিবেচক ব্যক্তি থাকে আৰু তেওঁলোকে আনে ভাবিব নোৱৰা কিছুমান কথা কয়. যিবোৰ কথা দলিয়াই নেপেলাই আমি গভীৰভাবে ভাবি চোৱা উচিত।

হিন্দু আৰু মুছলমানৰ পৃথকভাবে উন্নতিৰ অৰ্থেই ভাৰতবৰ্ষ বিভাজিত হৈছিল। কিন্তু এই বিভাজনৰ পৰৱৰ্তী ইতিহাসে প্ৰমাণ কৰি দিছে যে—এক ধৰ্মীয় হ'লেই মানুহ একতাবদ্ধ নহয়। পাকিস্তানৰ ক্ষেত্ৰত কথাষাৰ সম্পূৰ্ণ সত্য।

এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত স্বাধীনতা সংগ্ৰামী তথা ভূতপূৰ্ব কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীআব্দুল গফুৰে এক সাক্ষাৎকাৰত এই অভিমত দাঙি ধৰিছে: 'যদি ভাৰত, পাকিস্তান আৰু বাংলাদেশে নিজ নিজ ভৌগোলিক সীমাৰ কথা পাহৰি পৰস্পৰ লগ লাগি পুনৰ এক অভিন্ন ৰাষ্ট্ৰ গঠন কৰে, তেনেহ'লে সেই ৰাষ্ট্ৰ সমগ্ৰ এছিয়াত এক অতি, শক্তিশালী, বৃহৎ তথা মহৎ শক্তি ৰূপে পৰিগণিত হ'ব আৰু তাৰফলত এছিয়াৰ ভাগ্যও নিশ্চিত পৰিৱৰ্তিত হ'ব।"

এই নিৰ্ভীক বক্তব্যৰ সাৰ কথা আমি ভাবি চোৱা উচিত।

বছৰ: ১৫   ডিছেমবাৰ ১৯৯০   সংখ্যা: ৯

খনে: ৩'০০ টকা : : বছৰেকীয়া বৰঙণি: ৩৬'০০ টকা



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুবা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

পশ্চিম এছিয়াত যুদ্ধৰ ক'লামেঘ

সুপ্ৰাচীন কালৰ মেছ'পোটেমিয়া হ'ল আজিৰ ইৰাক। এছিয়াৰ দক্ষিণ-পশ্চিম দিশত ৪, ৩, ৫, ১২০ বৰ্গ-কি. মি. বিস্তৃত ইৰাকৰ ৰাজধানী হ'ল প্ৰাচীন বাগদাদ নগৰ। ইৰাক নামৰ দেশখনৰ অধিক ভাগেই হ'ল মৰুভূমি। টাইগ্ৰিছ আৰু য়ুফ্ৰেটিছ নামৰ দুখন ডাঙৰ ডাঙৰ নৈ ইৰাকৰ মাজেদি প্ৰবাহিত।

ইৰাকৰ গাতে লগা আন এখন দেশ হ'ল কুৱেত। ২৪, ২৩৫ বৰ্গ-কি. মি. বিস্তৃত কুৱেতৰো অধিকভাগ হ'ল মৰুভূমি। কিন্তু আজিৰ পৃথিৱীৰ অন্যতম ধনী দেশ। পিছে ধনী হ'লে কি হ'ব, সেই ধন কেৱল এমুঠিমানৰহে এদনীয়া।

ইৰাকৰ, আৰু এই কুৱেতৰো সা-সম্পদ বোলোঁতে—তেল। তেলৰ পুঙেই হ'ল এই দুয়োখন দেশৰ ধনৰ ভঁৰাল। সমগ্ৰ পৃথিৱীখনেই এই দুখনৰ তথা আৰবদেশৰ তেলৰ ওপৰত নিৰ্ভৰশীল। আৰু সেইহে, আৰবদেশসমূহেও তেলৰ দাম দিনক দিনে দোপত দোপে বঢ়াইছে।

১৭৫৬ চনৰপৰা কুৱেতৰ শাসনৰ দায়িত্ব শ্বেখ বংশীয়সকলে চলাই আছে। সেই কাৰণে—এই দেশখনৰ সকলো অধিকাৰ কেৱল এখন পৰিয়ালতে সীমাবদ্ধ। কুৱেতৰ শাসকক 'আমীৰ' বুলি কোৱা হয়, আৰু যুৱৰাজেই হ'ল প্ৰধানমন্ত্ৰী।

ইৰাকৰ বক্তব্য হ'ল যে—প্ৰকৃতাৰ্থত কুৱেত বছৰা ৰাজ্যৰে অংশ আছিল। কিন্তু সাম্ৰাজ্যবাদী বৃটিছে বছৰাৰ এভাগ কাটি নি কুৱেতৰ সৃষ্টি কৰিলে।

ইয়াৰ আগতেও ইৰাকে কুৱেত অধিকাৰ কৰাৰ চেষ্টা কৰিছিল। কিন্তু ব্যৰ্থ হৈছিল। কিন্তু যোৱা অগাষ্ট মাহত ইৰাকে কুৱেত অধিকাৰ কৰিলে, আৰু কুৱেতৰ আমীৰে দেশ এৰি ছৌদি আৰবলৈ পলাই পত্ৰং দিলে।

ইৰাকৰ অভিযোগ : কুৱেতে ইৰাকৰ ভূখণ্ডৰপৰা তেল চুৰি কৰিছে।

কুৱেতৰ শ্বেখো যেন, ইৰাকৰ ৰাষ্ট্ৰপতিও

তেন। দৰাচলতে দুয়ো স্বৈৰতান্ত্ৰিক। ইৰাকৰ ৰাষ্ট্ৰপতি ছদ্দম হুছেইনে শক্ৰৰ ওপৰত ভয়ানক ভয়ানক অস্ত্ৰ প্ৰয়োগ কৰাতো পিছপাও নহয়। এওঁৰ অস্ত্ৰৰ ভঁৰালত এনে এবিধ গ্যাছ (গেছ) আছে, যিবিধ গ্যাছ প্ৰয়োগ কৰিলে আকাশ-মণ্ডলত ধোঁৱাই এনেকৈ গুলুম বান্ধে যে

আমেৰিকাৰ বক্তব্য হ'ল—ইৰাকে কুৱেতৰ-পৰা সৈন্য প্ৰত্যাহাৰ কৰিব লাগিব আৰু আমীৰৰ ৰাজ্য অৰ্থাৎ — কুৱেত পুনৰ আমীৰক ঘূৰাই দিব লাগিব।

বিভিন্ন দেশে বিভিন্ন কাৰণত ইৰাকক কঠোৰভাৱে তিৰস্কাৰ কৰিব পৰা নাই ; কিন্তু ইৰাক আৰু আমেৰিকাৰ যুদ্ধলিপ্ত

সেই ডাঠ ধোঁৱাৰ মাজত মানুহে উশাহ নিশাহ ল'ব নোৱৰা হয়, আৰু সেই বায়ু দেহৰ ভিতৰলৈ গ'লে দেহ জ্বলি থাকে। আন এবিধ গ্যাছেৰে মানুহক মুহূৰ্ততে পক্ষাঘাতগ্ৰস্ত কৰি পেলোৱা হয় আৰু পাছত জীয়াতু ভুগি ভুগি মৃত্যু হয়।

ইৰাকে কুৱেতক অন্যায়ভাৱে আক্ৰমণ কৰাত আমেৰিকাই ছৌদি আৰৱলৈ সৈন্য তথা বহু যুদ্ধজাহাজ প্ৰেৰণ কৰিছে। নোহোৱালৈ সমগ্ৰ পৃথিৱীত একমত।

ইৰাক আৰু কুৱেতত লাখ লাখ বিদেশী অবৰ্ণনীয় দুখ-কষ্টত পৰিছে। কেইবালাখো ভাৰতীয় মানুহো তাত মহা বিপদৰ সন্মুখীন হৈছিল ; কিন্তু সম্প্ৰতি ভাৰতীয়সকল বিপদমুক্ত। ইৰাকত কিছুমান দেশৰ বিদেশী অধিবাসী প্ৰকাৰান্তৰে বন্দী। এইদৰে পশ্চিম এছিয়াতযুদ্ধৰ ক'লা মেঘ বিয়পি পৰিছে।



স্মাৰণ-জীয়ন

মধুপুৰ গাঁৱৰ বিমল দেখাত কিঞ্চিত কুৰূপ আৰু অতি খীণ। ইমানেই খীণ যে—ধুমুহা-বতাহে তাক উৰাই লৈ যাব যেন লাগিছিল। তদুপৰি বিমল আছিল খোঁৰা। গাঁৱৰ মানুহে তাক দেখা পালে নাক কোঁচাইছিল। তথাপি—খীণ-মিন নিশকতীয়া লেঙেৰা বিমলৰ ভদ্ৰ আচাৰ-আচৰণৰ ফলত ৰাইজে তাক লেই লেই ছেই ছেই কৰা নাছিল।

বিমলো উপজিল, তাৰ মাকো মৰিল। তাৰ সাত বছৰ বয়সত তাৰ দেউতাককো সাপে খুটি মাৰিলে। তাৰ পাছত বিমলৰ জীৱনত আৰম্ভ হ'ল বাৰটা মাহত তেৰটা জগৰ। সি লোকৰ খাই লোকৰ বৈ লোকৰ লাগুনি-পাগুনি কৰি কৰি কিছু ডাঙৰ হোৱাৰ অন্তত এদিন দেখিলে আৰু গমিলে যে তাৰ নিজৰ মোমায়েকেই সিহঁতৰ মাটিখিনি আত্মসাৎ কৰি ল'লে।

একে খোঁৰা, তাতে খীণ, গতিকে—দহ জোৰা মাৰিও দিনক ঢুকি নাপালে। কোনেও তাক কোনো কামতে নল'লে। গাঁৱৰ বহুতেই তাক দেখা মাত্ৰই আপদটো ওলালহি বুলি ভাবি মুখ ঘূৰাই লৈছিল; কেৱল—গাঁৱৰে জানকী বুঢ়ীয়ে তাক কিছু মৰম-বেথা কৰিছিল।

এদিন জানকী বুঢ়ীয়ে বিমলক ক'লে, "বোপা, তোৰ নিজৰ দেউতাৰৰ খেতি-মাটিখিনি দেখোন তইহে পাব লাগে। তোৰ মামাৰে কিয় তোৰ মাটিখিনি তাৰ গৰাহত ভৰালে? তই মামাৰক সোধগৈ-চোন—কথাটো কি? কমেও তোক তোৰ খেতিমাটিৰ আধাখিনিমান দিবহে লাগে।"

অমিতা ভট্টাচাৰ্য্য



বিমল গ'ল মোমায়েকৰ ঘৰলৈ। সুধিলে সিহঁতৰ খেতিমাটিৰ কথা। শুনি— বিমলৰ মোমায়েক দণ্ডনাথ খঙতে ৰঙা পৰিল আৰু কঠুৱা মাতেৰে বিমলক ক'লে, "ঐ যঁাচনিয়াৰ কুকুৰটো, ৰোষ ৰাখি কথা ক'বি কৈছোঁ। কালিৰ ছলিয়ে পৰহিৰ গীত গাবলৈ আহিছ যে—কৈ থওঁ — অধিক বাঢ়নে বাঢ় যদি দিনতে আন্ধাৰ দেখিবি। কোনেনো এনেকৈ ৰগত ধৰিবলৈ শিকাই পঠালে তোক? মাটি লাগে? ফচল লাগে? ফন্দাই দি কোবোৱাৰ আগতে—ফুট কৈছোঁ, ইয়াৰপৰা এতিয়াই গুচ কৈছোঁ। ইয়াত যদি দুনাই তোক দেখিছোঁ, ইখন ভৰিৰ দৰে সিখন ভৰিও লেঙেৰা কৰিছে এ।ৰম তোক।

ক্ৰুদ্ধ বিমল তেতিয়া গাঁওবুঢ়া নেৰাইণ সিংহৰ কাষ চাপিল। শুনি সিংহ গাঁওবুঢ়াই বিমলৰ মোমায়েক দণ্ডনাথক মতাই অনালে আৰু বিমলৰ অভিযোগৰ কথা কৈ শেষত সুধিলে, "দণ্ডনাথ, বিমলৰ অতবোৰ অভিযোগৰ উত্তৰত এতিয়া তোমাৰ কি ক'বলগা আছে ইয়াতেই কোৱা।"

সদায় লোকৰ ওপৰত দন টানি খোৱা দণ্ডনাথে দিন দেখি ভেশ লোৱাত পাৰ্গত। দণ্ডনাথে সিংহ গাঁওবুঢ়াক একাষৰীয়াকৈ মাতি নি, গাঁওবুঢ়াৰ হাতত এশটি ৰূপৰ মোনা এটি গুঁজি দি ক'লে, "যদিও সি মোৰেই ভাগিন — তথাপি—সি কোনো কামৰ লায়ক নহয়। খেতি-খোলাৰো সি একো নুবুজে-নোৱাৰে। দৰাচলতে— সি এটা গাধেৰো গাধ। গতিকে—সি যেনেকৈ আছে, তাক তেনেকৈ থাকিবলৈ দিয়াটোৱেই ভাল হ'ব।"

দানি পৰা দণ্ডনাথক বিদায় দিয়াৰ পাছত সিংহগাঁওবুঢ়াই খীণ-মিন বিমলক সিংহৰ গোজৰণিৰে গুজৰি উঠি ক'লে, "বোলোঁ। ঐ লেঙেৰা ভেঙেৰটো— তই লোকৰ ওপৰত উশাহ লোৱাটোৱে যে লোণ নোহোৱাকৈ খেকেৰা কুটিবলৈ

আহিছ—তোৰ যে নঘট-ঘট লাগিব পাৰে গমিছনে নাই ? আকো কেতিয়াবা যদি লোকৰ মাটি নিজৰ বুলি মিছা কথাৰ পাচি মূৰত লৈ আৰু তেনেবোৰ গোকাট মিছাবোৰ ক'বলৈ কাষ চাপিছহি, তোক গাঁৱৰ বাজ কৰিহে এৰিম। এতিয়া— ভাল কই ভালে ভালে গুচ ইয়াৰপৰা।"



*

কনকদাস সেই গাঁৱৰে এজন ডাঙৰ খেতিয়ক। কনকদাসৰ মাটি-বাৰী অঢেল। এই কনকৰ একমাত্র ছোৱালীজনীৰ নাম বাসন্তী। বাসন্তী বৰ কোমলমনা। আৰু —আৰু সেইহে—শাৰীৰিকভাবে অক্ষম বিমললৈ তাইৰ মনত বৰ মৰম। এই এই মৰমেই এদিন তাইৰ মনত বিমলৰ প্ৰতি প্ৰেমৰ স্মৃষ্টি কৰিলে।

এদিন বাসন্তীয়ে বিমলক কৈয়েই পেলালে, "মই তোমাক বিয়া কৰাম বুলি ভাবিছোঁ। যদি তোমাৰ আপত্তি নাই— কথাটো দেউতাক কৈ কৈ,-মেলি বিয়াৰ বন্দৱস্ত কৰি পেলোৱা।"

শুনি — নধৰ-নপৰ লাগি — বিমলে বাসন্তীৰ দেউতাক কনকদাসক কথাটো ক'বলৈ পালেহে। কনকে ককাই উঠি ক'লে, "বোলোঁ। ঐ ভেকুলীটো, তোৰ পিঠিত নোম গজিলনে কি ? নলগা জেঙাত লাগিবি, নঘট-ঘটত পৰিবি। ৰঃ, এতিয়াই তোৰ বিয়াখন পাতোঁ।" এই বুলি কৈয়েই বিমলক বাঘৰ দৰে থাপ মাৰি ধৰি কনকদাসে বিমলৰ ওপৰত কিল-কীৰ্তন কৰি কৰি কৈ থাকিল, "গুচ—গুচ থুপাৰ কুকুৰটো—যিমান নাম তিমান ভিজ—ভাং ভাজি খাবৰ খোলা নোহোৱাটোৰ ইম্‌মান সাহ !" বিমলৰ পিঠিত এইদৰে বাবৰি ফুল বাছি কনকে তাৰপৰা কুকুৰ-খেদনে তাক খেদি দিলে।

বিমল আৰু ঘৰলৈকো নগ'ল, গ'ল— মনৰ দুখত বনলৈ। বাঘে খাওক ঘোঁৰে খাওক সাপে খাওক বা কাপেই খাওক—

তাৰ আৰু ভয়-ভীত নাই, এনে মূল্যহীন জীৱনলৈ তাৰ আৰু মৰম নাই।

কিন্তু বনত সোমোৱাৰ লগে লগে তাক—বাঘে নহয়—ধৰিলে এজন সাধুৱে।

বিমল কিয় ইমান হিংস্ৰ জন্তু-জানোৱাৰেৰে ভৰা বনলৈ আহিল, সেই কথাৰ উত্তৰত বিমলে সাধুক সকলো কথা সংহৰি ক'লে। সাধুৱে বিমলৰ পিঠিত থপৰিয়াই ক'লে, "কুছ ছোচ্ (চিন্তা) মৎ কৰো বেটা! মই তোমাক সহায় কৰিম। মই তোমাক দুফাকি মন্ত্ৰৰ কথা কওঁ শুনা। এফাকি মন্ত্ৰেৰে তুমি যিকোনো মানুহৰ ভীতিস্বৰূপ হৈ উঠিব পাৰিবা, আন এফাকিৰে আনৰ মৰম লভিবা।

—এতিয়া কোৱাঁ, কোন মন্ত্ৰ তোমাক লাগে? মাৰণ-মন্ত্ৰনে জীয়ন-মন্ত্ৰ?"

বিমলে মনতে ভাবিলে ঃ মোক লাওৰে লাওৰে পানী খুউৱা বাসন্তীৰ দেউতাক মেৰগোম কনকদাসক এসেকা দিব পাৰোঁ যদি এই মন্ত্ৰেৰে—বেয়া নহ'ব। আৰু সেই সাতকালৰ চেং সিংহ গাঁওবুঢ়াকো দাঁতভঙা শিক্ষা দিব লাগিল। আৰু মলুৱা বান্দৰ মৰণে মৰা মোমাইকো—। বিমলে সাধুক ক'লে, "প্ৰভু! দিয়ে যদি--মোক প্ৰথমটোকে দিয়ক।"

সাধুৱে বিমলক প্ৰথম ফাকি মন্ত্ৰ —মাৰণ-মন্ত্ৰ শিকাই দিলে।

তাৰ পাছত বিমল নিজ গাঁৱলৈ গ'ল।



গাঁও পায়েই বিমলে তাৰ মোমায়েক ঘৰৰ দুৱাৰত খটখটালে।

বিমলক দেখা পায়েই মোমায়েক দণ্ডনাথে গোৰগোৰাই উঠি ক'লে, "ঐ থেকাৰ খোৱাটো—তোক দুনাই আহিবলৈ মানা কৰিছিলোঁ নহয়? আজি তোক খুন্দি তাও কৰিম, ৰঃ।"

বিমলে তাৰ মনত সাধুৱে শিকাই দিয়া মন্ত্ৰ ফাকি আওৰালে আৰু মোমায়েকে তাত বিমলৰ সলনি বিৰাট ৰাক্ষস এটাক তাৰ আগত থিয় হৈ থকা দেখি মুহূৰ্ততে চেঁচা পৰি তললৈ কটা কলগছটোৰ দৰে বাগৰি পৰিল।

মন্ত্ৰৰ কাৰ্য্যকাৰিতালৈ চাই বিমলৰ মনত কাৰ দিন কাৰ ৰাতি লাগি গ'ল। সিংহ গাঁওবুঢ়ায়ো সিংহৰ দৰে গৰ্জি উঠি কিবা ক'বলৈ ধৰোঁতেই হঠাৎ বিমল মুখেদি জুই ওলোৱা ভয়ানক জন্তুলৈ ৰূপান্তৰিত হ'ল আৰু বিমলৰ ভয়ত সিংহ গাঁওবুঢ়া গাঁও এৰি ফেটীৰ মূৰ ছিঙা লৰ দি পলাই সাৰিল।

তাৰ পাছত বিমল আগ বাঢ়িল বাসন্তীৰ দেউতাক কনকদাসৰ ঘৰলৈ বুলি। কনকদাস খেতি-পথাৰলৈ যোৱা বুলি শুনি বিমলো কনকৰ খেতি-পথাৰলৈ গৈ থাকিল।

কনকে দূৰৰপৰা বিমলক আহি থকা দেখা পাই তাক তাৰ হাতত থকা আঁকোৰা



কাঁচিৰে ৰেপিব বুলি ভাবি তুপ-তুপাই আগুৱাই গৈ থাকোঁতেই হঠাৎ বিমলক এটা বিৰাট বিশাল ফেঁটী মেলা সাপলৈ ৰূপান্তৰিত হৈ তাক খুটিবলৈ খেদি অহা দেখি কনকে হাতযোৰ কৰি সাপৰূপী বিমলক কিবাকিবি ক'ব খুজিলে। কিন্তু কনকৰ ডিঙিৰপৰা মাত নোলোৱা হ'ল।

এইবোৰ ঘটনাৰ কথা শুনি আৰু দেখি বিমলক গাঁৱৰ ৰাইজে ভয় কৰা হ'ল। বিমলক বাটে-পথে দেখা মাত্ৰেই গৃহস্থই:ত ঘৰৰ দুৱাৰ-খিৰিকী মাৰিছিল, দোকানীয়ে দোকান বন্ধ কৰি গুচি গৈছিল। বাটৰুৱাইত দৌৰি পলাইছিল। এইবোৰ চাই-চিঁতি বিমলে তাৰ এতিয়াৰ শক্তি সম্পৰ্কে গৰ্ব অনুভৱ কৰা হ'ল।

এদিন দুটা সৰু ল'ৰাই বাটত বিমলক দেখা পাই হুৰাওৱাৰে কান্দিবলৈ ধৰাত বিমলে সুধিলে সিহঁতক, "কি হ'ল তোমালোকৰ? কান্দিছা কেলেই?"

ল'ৰা দুটাই কোনো উত্তৰ দিব নোৱাৰিলে। ঠিক তেতিয়াই যেনিবা পাতাল ফালি হঠাৎ ক'ৰবাৰপৰা বাসন্তী আত ওলালহি। বাসন্তীক তাইৰ দেউতাকে জোৰ কৰি আন এজনৰ লগত বিয়া পাতি দিছিল। তাই বিমলক ক'লে "বিমল, মোৰ দেউতাক তুমি মন্ত্ৰ মাতি বোবা কৰি পেলালা। এতিয়া মোৰ ল'ৰা দুটাৰ ওপৰত মন্ত্ৰৰ প্ৰয়োগ নকৰিবা।" এই বুলি কৈ—বাসন্তীয়েও কান্দি থাকিল।

বিমলে এটা কথাও নকৈ পোনে পোনেই সেই বনলৈ গৈ সাধুক ক'লে, "হে সাধু! দয়া কৰি এই মাৰণমন্ত্ৰ ওভোতাই লওক, আৰু মোক সেই জীয়ন-মন্ত্ৰকে দিয়ক, যি মন্ত্ৰেৰে মানুহৰ মৰমপোৱা যাব। মৰম লভি মৰণতো দুখ নাই, ঘৃণা লভি জীয়াই থকাতো সুখ নাই।"

সাধুৱে মিচিকীয়াই হাঁহি বিমলক মাৰণ-মন্ত্ৰৰ সলনি জীয়নমন্ত্ৰ দিলে।





দস্যু যুৱৰাজ

১৪

[আগৰ কথাঃ শান্তিপুৰ ৰাজ্যৰ সীমা-মুৰিয়লিত থকা মহাৰণ্যত সোমাই থকা বিদ্ৰোহী যুৱকইভক তথা সিহঁতৰ নেতা বসন্তকো ধৰি জীয়াই জীয়াই ছাল ছেলিবলৈ বদমাছৰে! বদমাছ বীৰসিংহই চিকাৰৰ ভাও দি সেই মহাৰণ্যলৈ গৈ সিহঁতক বিচাৰি উলিয়াবৰ দিহা কৰি সৰ্পদন্ত সেনাপতিক লগত লৈ গৈছিল। কিন্তু অৰণ্যত জয়ানন্দ মুনিক ধৰি বন্দী কৰাত অৰণ্যৰ জন্তু-জানোৱাৰবিলাকে বীৰসিংহ-সৰ্পদন্তহঁতক যি খেদা দিলে—উপায় নাপাই এই সৌপডগ্ৰায়া ছাল-ছিগা ঢেকুৰা ছুটাই ফেটীৰ মুৰ ছিঙা লৰ দি অৰণ্যৰপৰা কথামপি ওলাই নেগুৰ মোকোটাই পলাই যাবলৈ ধৰিলে। আৰু তাৰ পাছত…]

মুখত কোবোৱা দমৰাহেন হৈ বান্দৰ-চূড়ামণি বীৰসিংহ নেগুৰ পকাই ৰহিল কিছুদিনলৈ। ইমান দিন ধৰি কোনো কাম কৰাৰ আগতে কামটোৰ ভাল-বেয়া নভবাকৈয়েই কৰা বীৰসিংহ এতিয়াৰ পৰা সাৱধান হ'ল। দিনতে আন্ধাৰ দেখা বাৰ বৈৰীৰ কামোৰ খোৱা বৈকুণ্ঠৰ ধূমকেতু বীৰসিংহই বাকৈকৈ বেওঁচনীয়া থাই আকাশ-পাতাল ভাবি ভাবি দিন কটাবলৈ ধৰিলে। কিন্তু হৰিয়ে এৰিলেও জৰীয়ে যেনেকৈ নেৰে—তেনেকৈ, নিজৰ মনৰ ভয়-ডৰে তাক আনকি এটা মুহূৰ্তৰ বাবেও নেৰা হ'ল। বনৰ সাধুৱে মনৰ শান্তিক ছিৰাছিৰ কৰি পেলালে।

এসেকা দিয়াৰ আৰু সেই ৰাজ্য অধিকাৰ কৰাৰ সপোন বীৰসিংহই দিনতো দেখি আহিছিল। কিন্তু সেই আশা যে আৰু নাই—নিজৰ ক্ষমতাৰ বিষয়ে সম্প্ৰতে আস্থাহীন হৈ পৰা বীৰসিংহই উপলব্ধি কৰিলে। কিন্তু—ক্ষুদ্ৰ-ৰাজ্য জয়পুৰীৰ দুৰ্বল ৰজা শংকৰবৰ্মাক দগা-পথৰা কৰাটো বীৰসিংহৰ বাঁওহাতৰ কেঞা আঙুলিৰ খেল।

বীৰসিংহ ৰজাৰ মহামন্ত্ৰী মাগুৰিমেঃহুনে বীৰসিংহক ক'লে, "মহাৰাজ, জয়পুৰীৰ ৰজা বোলোৱা শংকৰবৰ্মা সম্প্ৰতে বৰ অহংকাৰী হৈ উঠিছে। নিজৰ ৰাজ্যৰ এটা ধ্বংসপ্ৰাপ্ত গড়নে কিবা খন্দাই কনকতুৰ্গা নামৰ সোণৰ গোসাঁনী পোৱা হৈছে আৰু সেই সোণৰ প্ৰতিমাৰ যহতে গপতে গণ্ডাটোপটো তাৰ গু-জীৱন সাথক কৰিছে। আৰু এই কনকতুৰ্গা হেনো দেখাত অতীৱ সুৰূপ।"

"কনকতুৰ্গা দেখাত সুৰূপনে কুৰূপ—তাৰে আমাৰ লাভ-ক্ষতি একো নাই। আচল কথা সোণ। বুজিছা—সোণ! বিড়ালী কাঠৰেই হওক চোন-এন্দুৰ মাৰিব পাৰিলেই হ'ল। কনক নামৰ তুৰ্গা গোসাঁনীক বেচি আমি অস্ত্ৰ-শস্ত্ৰ কিনিব পাৰিম। ঢেৰ অস্ত্ৰ কিনিব পাৰিম। সেয়ে হ'ল সাৰ কথা।" বীৰসিংহই বিংবিঙালে।

এই ঘটনাৰ ফলত গপত গণ্ডাটোপ বীৰসিংহৰজা হঠাৎ যেনিবা গড়-লায়কটি হৈ গৰু চুৰ কৰি পঘা ধৰিবলৈ লাজ পোৱা হৈ পৰিল; কিন্তু তেও বুলি তাৰ সিয়ান বুধীয়া স্বভাৱৰ কোনো পৰিৱৰ্তন নহ'ল।

এদিন বীৰসিংহৰ পোহনীয়া শিয়াল—মানে—চোৰাংচোৰা কেটামানে বীৰসিংহক বাতৰি দিলেহি যে—অমৃতপুৰীৰ অধীনত থকা ক্ষুদ্ৰ ৰাজ্য জয়পুৰীক অমৃতপুৰীৰ ৰজাই সৈন্যবাহিনীৰ যোগান ধৰি—আৰম্ভক হ'লে নিশ্চয় সহায় কৰিব বুলি সম্প্ৰতে প্ৰতিশ্ৰুতি দিছে।

বহু আগৰেপৰাই—অমৃতপুৰী ৰাজ্যক

নিচেই ওচৰত থিয় হৈ বীৰসিংহৰ কথা শুনি থকা সেনাপতি সৰ্পদন্তই সুধিলে, "মহাৰাজ, তেন্তে—জয়পুৰীক জয়ে জয়ে জয়ৰাম জয়হৰি বুলিবৰ হ'লনে? আমি কিবা তেন্তে আগ—বাঢ়োঁৱেইনে বাৰু?"

"যদি যমৰ আলহী হ'বলৈ খৰখেদা আছে—বাঢ়া আগ! কিন্তু মনত ৰাখিবা, জয়পুৰীক আক্ৰমণ কৰাৰ অৰ্থ হ'ব অমৃতপুৰীৰ শূল। এই ছুয়োকো চন্তালিবৰ শক্তি সাহস তোমাৰ সৌ দন টানি খোৱা ন্যাওপেটা সৈন্যহঁতৰ হ'বনে?" বীৰসিংহই অৱজ্ঞাৰে সৰ্পদন্তক সুধিলে।



এই কথাৰ উত্তৰত যে কি ক'ব—সৰ্পদন্তই ঠাৱৰ কৰিব নোৱাৰি তলমূৰটি হৈ তলৰ মাটিকে চাবলৈ ধৰিলে।

তেতিয়া বীৰসিংহই পুনৰ ক'লে, "সেইহে কওঁ—জয়পুৰী পট্‌কৈ আক্ৰমণ কৰা আমাৰ উচিত নহ'ব। তাৰ সলনি—আমি যে তাৰ ক্ষুদ্ৰ ৰাজ্য ৰক্ষা কৰি আছোঁ—তাৰ বাবে কৰ প্ৰদান কৰিব লাগিব বুলি শংকৰবৰ্মাক কৈ পঠাব লাগিব। আমাৰ এই দাবীলৈ উপেক্ষা প্ৰদৰ্শন কৰাৰ দাঁত শংকৰবৰ্মাৰ ন'হব লাগে। আৰু—এই কৰেই হ'ব আমাৰ কনকচুৰ্গা"

ইপিনে—মাটিৰ তলত পোৱা সোণৰ প্ৰতিমাক যথাযোগ্য মন্দিৰত স্থাপিবলৈ জয়পুৰীৰ ৰজাই বিৰাট মন্দিৰ নিৰ্মাণ কৰালে আৰু আৰু তাৰ ফলত জয়পুৰীয়া প্ৰজাবৰ্গৰ মনত আনন্দৰ ঢল বৈ থাকিল। সোণৰ প্ৰতিমা সেই নৱ-নিৰ্মিত মন্দিৰত স্থাপন কৰাৰ শুভ দিন-ক্ষণো স্থিৰীকৃত হৈছিল আৰু তাৰ ফলত সমগ্ৰ ৰাজ্যত আনন্দৰ জোৱাৰ বৈ গৈছিল।

এনেতে, উদ্যানত আনন্দেৰে ভ্ৰমণৰত ৰজা শংকৰবৰ্মাদেৰক এজন প্ৰহৰীয়ে যথাযোগ্য অভিবাদন কৰি ক'লে, "মহাৰাজ, শান্তিপুৰ ৰাজ্যৰ দূত আপোনাৰ সাক্ষাৎপ্ৰাৰ্থী।"

"শান্তিপুৰ ৰাজ্যৰ? তাৰ মানে—বীৰসিংহৰ দূত!" মুহূৰ্তমান বৈ থকাৰ অন্তত শংকৰবৰ্মাদেৱে প্ৰহৰীক ক'লে, "ঠিক আছে, তাক ইয়ালৈ লৈ আহাগৈ।"

শান্তিপুৰীয়া দূত আহিল আৰু যথোচিত সন্মান প্ৰদৰ্শনান্তে শংকৰবৰ্মাদেৱক নমস্কাৰ কৰি ক'লে "মহাৰাজ, বীৰশ্ৰেষ্ঠ মহাৰাজ, আমাৰ বীৰসিংহদেৱে আপোনালৈ এই সন্দেশ প্ৰেৰণ কৰিছে যে—আপুনি তেওঁক দিবলগা কৰখিনি অতি শীঘ্ৰে পঠিয়াবৰ বন্দৱস্ত কৰে যেন।"

"কৰ!" আশ্চৰ্য্যান্বিত ৰজা শংকৰবৰ্মাদেৱে ক'লে, "আমাৰপৰা তেওঁ কিহৰ কাৰণে কৰ পাব লাগে?"

"শান্তিপুৰ ৰাজ্যৰপৰা আপুনি যি সুৰক্ষা প্ৰাপ্ত হয়—তাৰ কাৰণে কৰ হিচাপে দিবলগা ধনৰ কথা সোঁৱৰাই দিবলৈ বীৰশ্ৰেষ্ঠ মহাৰাজ বীৰসিংহদেৱে মোক আপোনাৰ সমীপলৈ প্ৰেৰণ কৰিছে।"

ক্ষণকাল মৌন হৈ থকাৰ অন্তত শংকৰবৰ্মাদেৱে এই কটকীক পুনৰ সুধিলে, "সঠিককৈ কোৱাচোন বাৰু—তোমালোকৰ মহাৰাজক ঠিক কি লাগে? এইবোৰৰ আঁৰত মই—।"

বীৰসিংহৰ দূতে হাত দাঙি ৰজা শংকৰকৰবৰ্মাক ৰখাই ক'লে, "আপুনি যদি — আপোনাৰপৰা আমাৰ প্ৰাপ্য বহু বছৰৰ কৰৰ সলনি কনকদুৰ্গাৰ প্ৰতিমা দিবলৈ সন্মত হয়, আমাৰ মহাৰজা তাৰেই সৰ্বাধিকভাবে পৰিতুষ্ট হ'ব।"

শুনি ৰজা শংকৰবৰ্মা স্তম্ভিত হ'ল। কিন্তু তেওঁ যথেষ্ট সংযম অৱলম্বন কৰি মনৰ ভাব গোপন কৰি কটকীক ক'লে, "কনকদুৰ্গা তোমালোকৰ মহাৰাজক, বা আন কাকো দিয়াৰ অধিকাৰ মোৰ নাই। এই প্ৰতিমা যথাযোগ্যভাবে স্থাপনৰ বাবে আমি মন্দিৰ নিৰ্মাণ কৰি শুভদিন শুভক্ষণ স্থিৰ কৰিছোঁ। এই প্ৰতিষ্ঠা-উৎসৱত অংশগ্ৰহণ কৰিবলৈ অমৃতপুৰী

আৰু শান্তিপুৰলৈকো নিশ্চয় নিমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হ'ব।"

"মহাৰাজ, আমাৰ মহাৰাজে প্ৰেৰণ কৰা এজন সাধাৰণ দূত মই। গতিকে— মোৰ এই কথা শুনি মোৰ প্ৰতি বিতুষ্ট নহয় যেন, যে—আপুনি যদি কনকদুৰ্গাৰ প্ৰতিমা স্বেচ্ছাই আমাৰ মহাৰাজক নিদিয়ে, তেনেহ'লে সেই কনকদুৰ্গাক বলপ্ৰয়োগ কৰি লৈ যোৱা হ'ব—বুলি মোক ক'বলৈ আদেশ প্ৰদান কৰা হৈছে। আপোনাক সমিচাৰ দিলোঁ, এতিয়া আপোনাৰ সমাচাৰৰ প্ৰতীক্ষা।" দূতে বিনয়পূৰ্বক শংকৰবৰ্মাদেৱক ক'লে।

শংকৰবৰ্মাদেৱে ক'লে, "উত্তম, দূত, এতিয়া মোৰ বক্তব্য তোমাৰ মহাৰাজক কোৱাগৈ। মোৰ বক্তব্য হ'ল যে—মই কোনোপধ্যেই কনকবৰ্মাক কদাপি কাৰো হাতত সমৰ্পণ নকৰোঁ। তোমাৰ মহাৰাজক লাগেই যদি—ধন কিছুমিনি দিয়া যাব— যদিও তেওঁৰ এই দাবীও অনুচিত, তথাপি। অতীতত শান্তিপুৰৰ ধৰ্মপ্ৰাণ মহাৰাজ শান্তিদেৱে কদাপি আমাৰপৰা কোনো ধৰণৰ কৰ-কাটল দাবী কৰা নাছিল। —বাৰু, এতিয়া তুমি তোমাৰ নিজ ৰাজ্যলৈ যাব পাৰা।"

দূতে ৰজা শংকৰবৰ্মাদেৱক সম্ভ্ৰমপূৰ্ণ নমস্কাৰ তথা অভিবাদন কৰিলে আৰু বিনা বাক্যব্যয়ে উভতি খোজ ল'লে।

দূতে—বীৰসিংহই আগতেই কৈ থোৱা মতে—শান্তিপুৰ ৰাজ্যৰ সীমান্তত সসৈন্যে জোপ লৈ বৈ থকা সৰ্পদন্তক ক'লে যে —জয়পুৰীৰ ৰজাই একোপধ্যে কনকদুৰ্গা দিবলৈ সন্মত নহয়।

দূতৰ কথা শুনি সৰ্পদন্তই তৎক্ষণাৎ তাৰ সৈনিক-চৰ্দাৰহঁতক ক'লে, "আমি এতিয়াই জয়পুৰীৰ প্ৰাসাদ আক্ৰমণ কৰিমগৈ। তাত আমাকো আক্ৰমণ কৰিবলৈ নিশ্চয় শত্ৰুসৈন্য সাজু হৈয়েই আছে। তথাপি— "



সর্পদন্তই আৰু কিবা ক'ব খুজিছিল, কিন্তু এক সাগৰ-সংকাশ কণ্ঠই অকস্মাৎ ক'ৰবাৰপৰা কৈ উঠিল, "ৰ'বা!"

সৰ্পদন্তই আশ্চৰ্য্যান্বিত তথা ক্ৰুদ্ধ হৈ ইকালে-সিফালে চাবলৈ ধৰিলে। কিছুমান জোপা-জুপলিৰ বাহিৰে সেই ঠাইৰ ক'তো আন একো চকুত নপৰিল। কিন্তু পাছ মুহূৰ্ততে সৰ্পদন্তৰপৰা এবেগেতমান আঁতৰত এডাল কাঁড় মাটিত বিদ্ধ হ'লহি। সেই কাঁড়ডালত এখিলা কাগজ আছিল। সৰ্পদন্তৰ ইংগিতত সেই কাগজখিলা এটা লেংপেভীয়া সৈন্যই নাচৰ ভংগীৰে বুটলি লৈ সৰ্পদন্তৰ হাতত গটাই দিলে।

সেই কাগজখিলাত লিখা আছিল:

'জয়পুৰীৰ শান্তিপ্ৰিয় প্ৰজাৰ শান্তি বিঘ্নিত নকৰিবা। শংকৰবৰ্মাক জোকাই নল'বা। এই মুহূৰ্ততে শান্তিপুৰলৈ বুলি উভতি খোজ লোৱা। এই আদেশ—যুৱৰাজ সন্দীপৰ আদেশ!'

যুৱৰাজ সন্দীপ!

আগৰখন সাৱধানী পত্ৰত কোনো নাম-ধাম নাছিল। এইবাৰ এই নাম। তাৰ অৰ্থ হ'ল—বিদ্ৰোহীহঁতৰ কোনোবা এটা নতুন নেতা হৈছে। কিন্তু—'যুৱৰাজ' —মানে? যুৱৰাজ সন্দীপটোনো কোন?

—এইবোৰ কথা ভাবি ভাবি সৰ্পদন্তৰ মূৰেদি ধনঞ্জয় বায়ু উৰিল। ভয়ৰ চোটত সৰ্পদন্তই ইয়াৰপৰা যঃ পলায়িত সঃ জীৱতিকে কৰিবলৈ খাটাং কৰিলে। কিন্তু এতিয়া তাৰ তলে শিল ওপৰে কিল। কুকুৰাৰ হাতৰপৰা কথমপি সাৰি তালৈ গৈ দেখোন পঞ্চমুখীয়া বীৰসিংহৰ কবলতহে পৰিবগৈ লাগিব।

তেতিয়া?

গতিকে অ'ক্ৰমণৰ বাবে বাধ্যত পৰি আগ বাঢ়ি যাবই লাগিব। মৰিলে ভোজ, নমৰিলে আম খোৱাৰ কথাটো জানিয়েই বীৰসিংহই তাক পঠাইছে নহয়?

যেতিয়া জয়পুৰীৰ সকলো কনকদুৰ্গাৰ


RAZI

প্ৰতিষ্ঠাত আনন্দমগ্ন, ঠিক তেতিয়াই সৈন্যবাহিনীৰে সৈতে সৰ্পদন্ত সেই মন্দিৰ প্ৰাংগণভ ওলালহি।

সৰ্পদন্তৰ আদেশত বীৰসিংহৰ সৈন্যইঁতে মন্দিৰৰপৰা কনকদুৰ্গা প্ৰতিমাক বলেৰে কাঢ়ি লৈ—আগতেই বন্দবস্ত কৰি থোৱা মতে নাও এখনত কনকদুৰ্গা প্ৰতিমাখন উঠাই ভটীয়নি সোঁতত গৈ থাকিল।

ঘটনাটো আকস্মিকভাবেই ঘটিছিল। জয়পুৰীৰ ৰজা শংকৰবৰ্মাদেৱে ইমান শীঘ্ৰ এনে অতৰ্কিত আক্ৰমণৰ বাবে একেবাৰে প্ৰস্তুত নাছিল আৰু মন্দিৰ প্ৰাংগণভ থকা সামান্য সংখ্যক জয়পুৰীয়া সৈন্যই বীৰসিংহৰ এনে বিৰাট বাহিনীক একোপধ্যে বাধাও দিব পৰা নাছিল।

কনকদুৰ্গা প্ৰতিমাখন লৈ বীৰসিংহৰ সৈন্যইঁত নিৰ্বিঘ্নে গৈ থাকিল। এঠাইত, নৈৰ পাৰত বৰগছ এজোপা আছিল। বৰগছজোপাৰ বিৰাট ডাল এটা সৰু নৈখনৰ আধাখিনিলৈকে বিয়পি পৰিছিল। হঠাৎ সেই বৰগছৰ ডালত যুৱক এজনক দেখা গ'ল, আৰু সেই যুৱকে এডাল বিৰাট ৰছীৰ খোৰোচা গাঠিৰে, বান্ধি ভটীয়নি গৈ থকা নাৱৰ সোঁতত মদ খাই মদপী হৈ পৰা সৈন্যইঁতৰ মাজৰপৰা কনকদুৰ্গা প্ৰতিমাখন শূন্যলৈ দাঙি বৰগছৰ ডালেদি কেইখোজমান গৈ কনকদুৰ্গাৰে সৈতে জঁাপ মাৰি নামি নৈৰ সিপাৰ পাই জংগলৰ মাজত অদৃশ্য হৈ গ'ল।

এই নাওখনৰ পিছে পিছে আন এখন নাৱত উঠি গৈ থকা সৰ্পদন্তই "ডকাইত, ডকাইত" ফালি বুলি টেঁটু চিঞৰি খাকোঁতেই হঠাৎ বিভ্ৰান্ত ভীত-কম্পিত সৰ্পদন্ত আৰু তাৰ সৈন্যইঁতে বহু দূৰৰপৰা ঘোঁৰাত উঠি কাঁড়ৰ গতিৰে আহি থকা এক অদ্ভুত ঘোঁৰাচোৱাৰীৰ প্ৰতি ভয়লগা দৃষ্টিৰে নিৰ্বাক ভাবে একেথিৰে চাই থাকিল......চায়েই থাকিল। [আগলৈ

বন্দী

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছৰ ডালপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ ঘোৰ অমানিশাৰ সূচীভেদ্য অন্ধকাৰ ফালি ফালি শ্মশানলৈ বুলি গৈ থাকোঁতে মৃতদেহৰ ভিতৰত থকা বেতালে কৈ উঠিল, "হে ৰজা, মানুহে কেতিয়াবা যুক্তিৰ বিচাৰ নকৰি কেৱল ভাবাবেগ-চালিত হৈ কিছুমান কাম কৰি নিজৰ বিপদ নিজেই চপাই আনে। তুমিও তেনেকুৱা কিবা কৰিছানে কি ভাবি চোৱা। মই তোমাক কৌশাম্বীদেশৰ ৰজা ধীৰসিংহৰ তথা তেওঁৰ একমাত্ৰ পুত্ৰী ৰাজকুমাৰী মঞ্জীৰাৰ কাহিনী কওঁ শুনা। এই কাহিনীয়ে তোমাক আন একো দিব নোৱাৰিলেও পথশ্ৰমৰপৰা কিঞ্চিত ৰেহাই নিশ্চয় দিব।" এই বুলি কৈ বেতালে সেই কাহিনী বিক্ৰমাদিত্যক ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'

প্ৰাচীন কৌশাম্বীদেশৰ ৰজা ধীৰসিংহৰ কোনো পুত্ৰ সন্তান নাছিল, আছিল এজনী মাত্ৰ ছোৱালী। এই ছোৱালীজনীৰ নাম আছিল মঞ্জীৰা। মঞ্জীৰাক মহাৰাজ ধীৰসিংহই পুত্ৰৱৎ জ্ঞান কৰি সৰ্ববিদ্যা-বিশাৰদ কৰি তুলিবলৈ চেষ্টা কৰিলে। মহাৰাজে মঞ্জীৰাক দেশ-শাসনৰ কাৰ্য্যতো যথোপযুক্তভাবে সাঙুৰি ল'লে।

মঞ্জীৰাই তাইৰ পিতাকৰ লগ লাগি কেতিয়াবা চিকাৰলৈকো ওলাইছিল। আনকি কেতিয়াবা তাই অকলশৰেও মৃগয়ালৈ ওলাইছিল—কেৱল এজন দেহ-ৰক্ষী আৰু সখিয়েক এজনীক লগত লৈ।

এবাৰ মঞ্জীৰাই সম্পূৰ্ণ অকলশৰে চিকাৰলৈ ওলাব বুলি স্থিৰ কৰি মাত্ৰ সখিয়েক এজনীক কথাটো কৈ, ভবামতে কৌশাম্বীদেশৰ সীমান্তৱৰ্তী অৰণ্যলৈ গ'ল।

গোটেই দিন ধৰি চিকাৰ কৰি কৰি, সময়ৰ হিচাপ পাহৰি থাকিল ৰাজকুঁৱৰী মঞ্জীৰাই। যেতিয়া অৰণ্যত অন্ধকাৰ নামি আহিল, তেতিয়া ৰাজকুঁৱৰী ভীত হৈ উঠিল। অধিকন্তু—এই বিৰাট অৰণ্যৰ কোন ফালেদি ওলালে যে ৰাজধানীলৈ যোৱাৰ বাট পাব—তাকো ঠাৱৰ কৰিব নোৱাৰি গভীৰ চিন্তাত আচ্ছন্ন হৈ পৰিল।

অকস্মাৎ অন্ধকাৰৰ মাজতে মঞ্জীৰাৰ নিচেই কাষতে কোনোবাই কৈ উঠিল, "আপুনি—ইয়াত !"

শুনি ৰাজকুঁৱৰীৰ ভবৰি উঠিল। এনে অটব্য অৰণ্যৰ ঘোপমৰা এন্ধাৰত কোনেনো এই কথা ক'লে? এয়া কাৰ কণ্ঠস্বৰ? কোনো—দেও-ভূত নহয় তো? --কথাটো ভবাৰ লগে লগেই ৰাজকুঁৱৰীৰ হাত-ভৰি চেঁচা পৰি অহাৰ দৰে হ'ল।

হঠাৎ ৰাজকুঁৱৰীয়ে তেওঁৰ সমুখত দীঘল দাড়ীয়া দীঘল চুলীয়া মানুহ এজনক থিয় হৈ থকা দেখি ঘামিবলৈ ধৰিলে।

"আপুনি—কোন?" সেই অচিনাকি কণ্ঠই পুনৰ ৰাজকুঁৱৰীক সুধিলে।

ৰাজকুঁৱৰী মঞ্জীৰাই কণ্ঠস্বৰৰ সলনি কৰি যিমানদূৰ সম্ভৱ পুৰুষ কণ্ঠেৰে ক'লে, "মই ৰাজপ্ৰহৰী—সামান্য চিপাহী। আমাৰ যুৱৰাণীৰ আদেশ মতে—তেওঁ ইয়াত মৃগয়া কৰিব পাৰিবনে তাৰ ভু ল'বলৈ আহিছিলোঁ। —আপুনি কোন সুধিব পাৰোঁনে?"

এই প্ৰশ্নৰ উত্তৰত জটাধাৰী দঢ়ীয়াই হাঁহি মাৰি ক'লে, "মই কোন—সেই কথা জনাৰ কিবা মূল্য আছে জানো? যেই কি নহওক—আজি ৰাতিৰ বাবে আপুনি মোৰ অতিথি হওক,ৰাতিপুৱা গুচি যাব।"

এই কথা কৈয়েই সেই জটাধাৰী আগে আগে গৈ থাকিল আৰু জটাধাৰীৰ পিছে পিছে ঘোঁৰাত উঠি—সেই অচিনাকি অন্ধকাৰৰ আগন্তুকৰ আহ্বানত মন্ত্ৰমুগ্ধৰ দৰে গৈ থাকিল ৰাজকুঁৱৰী মঞ্জীৰা।

গৈ গৈ দুয়ো অৰণ্যৰ সোঁমাজত থকা এটা কুটীৰ পালেগৈ। জটাধাৰীয়ে কুটীৰৰ ভিতৰলৈ সোমাই জোঁৰ এডাল জ্বলাই লৈ বাহিৰলৈ আহিল, আৰু সেই জোঁৰৰ পোহৰত জটাধাৰীৰ সৌন্দৰ্য্যময় ৰাজসিক চেহাৰা দেখা পাই ৰাজকুঁৱৰী মঞ্জীৰা কিছু বিভ্ৰান্তৰ দৰে হৈ পৰিল।

জটাধাৰীয়ে বিভ্ৰান্ত যেন হৈ পৰা ৰাজকুঁৱৰীলৈ জোঁৰৰ উজ্জ্বল পোহৰৰ মাজেদি চাই ক'লে, "উৱাই ৰাতি পুৱাই যোৱাৰ ঢেৰ দেৰি। আপুনি অলপ জিৰণি

গ'ল আৰু ফল-মূল, লগতে উঞ্চ গাখীৰ পি-খাই ভোক-পিয়াহ গুচালে।

মঞ্জীৰাই ক'লে, "আপুনি যে-কোন—নাজানো। কিন্তু নিশ্চয় কিবা মন্ত্ৰসিদ্ধিৰ কাৰণে এনে ঘোৰ অৰণ্যবাসী হৈছে বুলি মোৰ ধাৰণা হৈছে। আপুনি যদি সকলো ভাঙি-পাতি কয় মোক—ময়ো কিজানি আপোনাক সহায় কৰিব পাৰিম।

ৰাজকুঁৱৰী মঞ্জীৰাৰ কথা শুনি মৃদুকৈ হাঁহি জটাধাৰীয়ে ক'লে, "ৰাজকুঁৱৰী, মই যদি সকলো সত্য কথা কওঁ—আপুনি আপোনাৰ কথা তেতিয়াও ৰাখিবনে?"

"কিয় নাৰাখিম? কথা দি কথাভংগ—অসম্ভৱ।" মঞ্জীৰাই ক'লে।

"ধন্যবাদ। এতিয়া শুনক।—মোৰ—মোৰ নাম বিজয়দত্ত।"

নামটো শুনামাত্ৰেই মঞ্জীৰা চমকি উঠিল। প্ৰায় চাৰিবছৰৰ আগৰ এটা বিশেষ ঘটনা ৰাজকুঁৱৰীৰ মনত পৰিল।

কৌশাম্বীদেশৰ উত্তৰ প্ৰান্তত থকা সুবিস্তীৰ্ণ অৰণ্যৰ সিপাৰে চন্দনদেশ নামৰ এখন ক্ষুদ্ৰ ৰাজ্য আছে। বহু পুৰুষৰেপৰাই চন্দনদেশ হ'ল কৌশাম্বীৰ সামন্তৰাজ্য। চাৰি বছৰৰ আগতে চন্দনদেশৰ ৰজা বিৰূপাক্ষদত্তই ঠিক সময়মতে কৌশাম্বীৰ মহাৰাজলৈ কৰ তথা উপঢৌকন প্ৰদান লওক, ৰাজকুঁৱৰী।"

মঞ্জীৰাই উচপ খাই উঠি ক'লে, "কি ক'লে আপুনি? ৰাজকুঁৱৰী?"

তেতিয়া জটাধাৰীয়ে দৃঢ়কণ্ঠেৰে ক'লে, "ৰাজকুঁৱৰী, এতিয়া ইয়াত—এনে অন্ধকাৰ অৰণ্যত পৰম্পৰে পৰস্পৰক প্ৰতাৰিত কৰাৰ চেষ্টা কৰা যে নিৰৰ্থক—সেই কথা আপোনাৰ মান ৰাজনীতিজ্ঞ তথা লৌকিক জ্ঞানসম্পন্ন যুৱৰাণীয়ে নজনা নহয়। যি কি নহওক—প্ৰথমতে মোৰ আতিথ্য গ্ৰহণ কৰি বিশ্ৰাম কৰক।"

এই কথাৰ কোনো প্ৰতিবাদ মঞ্জীৰাই কৰিব নোৱাৰিলে। মঞ্জীৰা কুটীৰৰ ভিতৰলৈ

নকৰাৰ বাবে কৌশাম্বীৰ ৰজা ধীৰসিংহই চন্দনদেশ আক্ৰমণ কাৰ, সামন্ত ৰজা বিৰূপাক্ষদত্তক পৰাজিত কৰি, চন্দনদেশক কৌশাম্বীৰ অংগীভূত কৰি ল'লে। ক্ষোভে-দুখে জৰ্জৰিত পৰাজিত বিৰূপাক্ষদত্ত আত্মঘাতী হ'ল আৰু তেওঁৰ ৰাণী উৰ্মিলা-দেৱীয়ে স্বামীৰ সৈতে সহমৰণ বৰণ কৰি ল'লে।

তেতিয়া বিৰূপাক্ষদত্তৰ একমাত্ৰ পুত্ৰ বিজয়দত্ত ক'ৰবাত দূৰত আছিলগৈ। এই আক্ৰমণ আৰু পিতৃ মাতৃৰ অপমৃত্যুৰ কথাও বিজয়দত্তই নাজানিছিল। কিন্তু কৌশাম্বীৰ মহাৰাজে বিৰূপাক্ষদত্তৰ পুত্ৰ বিজয়দত্তই কৌশাম্বী আক্ৰমণ কৰিবহি বুলি ধাৰণা কৰিছিল। এই কাৰণে কৌশাম্বীৰ মহাৰাজে চোৰাংচোৱাইতক লগাই বিজয়দত্তৰ সা-সন্তেদ উলিয়াবলৈ যথেষ্ট চেষ্টা কৰিছিল; কিন্তু চোৰাং-চোৱাইঁতে বিজয়দত্তৰ সা-সন্তেদ উলিউৱাত সমূলি ব্যৰ্থ হৈছিল।

অন্য সকলোবিষয়ত দেউতাকে মন্ত্ৰীৰাৰ-পৰা সদায় পা-পৰামৰ্শ বিচাৰিছিল। কিন্তু চন্দনদেশ আক্ৰমণৰ কথা তেওঁ ঘুণাক্ষৰেও নকৈছিল তাইক। দেউতাকৰ এই কাম অন্যায় যেনেই বোধ হৈছিল তাইৰ।

মন্ত্ৰীৰাই এই মন্তব্য কৰাত মহাৰাজ ধীৰসিংহই তাইক ক'লে, "আই, তুমি এই কথা নাজানা বোধ কৰোঁ যে—কৰ-কাটল তথা উপঢৌকনাদি প্ৰেৰণ নকৰাৰ ঘটনা—এয়ে প্ৰথম নহয়। এই লেতেৰা কাম বিৰূপাক্ষদত্তই কেইবাবাৰো কৰিছে আৰু মেয়ো তাক এই বিষয়ে—আগতে কেইবাবাৰো সাৱধান কৰিছোঁ। সি যে সামন্ত ৰজা, সেই কথা সি পাহৰি যোৱা উচিত নহয় বুলি তুমিও নিশ্চয় মানিবা।"

ৰাজকুঁৱৰীক চিন্তামগ্ন তথা নিমাত হৈ থকা দেখি বিজয়দত্তই গম্ভীৰভাৱে কৈ উঠিল, "মন্ত্ৰীৰাদেৱী, সন্দেহৰ কাৰণ নাই যে—ময়েই সেই দুৰ্ভগীয়া চন্দনদেশৰ

যুৱৰাজ বিজয়দত্ত।"

মন্ত্ৰীৰাই বিজয়দত্তলৈ মূৰ দাঙি চালে, আৰু চায়েই পুনৰ তলমূৰ হ'ল।

ৰাতিপুৱা বিজয়দত্তই মন্ত্ৰীৰাক ৰাজধানীলৈ যোৱাৰ ৰাজআলিলৈকে আগবঢ়াই দিলে আৰু তাৰপৰা পুনৰ অৰণ্যলৈ উভতি গ'ল।

কৌশাম্বীৰ প্ৰতিবেশী ৰাজ্য কোশলদেশৰ ৰজা আছিল বিনয়সেন। বিজয়দত্তৰ পিতৃ বিৰূপাক্ষদত্ত আৰু বিনয়সেনে একেলগে একেজনা গুৰুৰ আশ্ৰমত শিক্ষাগ্ৰহণ কৰিছিল আৰু দুয়ো গভীৰ বন্ধুত্বৰ অচ্ছেদ্য বন্ধনেৰে আবদ্ধ হৈছিল।

মহাৰাজ ধীৰসিংহৰ চন্দনদেশ আক্ৰমণ সামন্তৰাজ বিৰূপাক্ষদত্তৰ আত্মঘাত আদিয়ে বিনয়সেনৰ মনত যথেষ্ট দুঃখবোধৰ সৃষ্টি কৰিছিল। পৰিস্থিতি অনুকূল হ'লেই বিনয়সেনে বিজয়দত্তক সৈন্য-সামন্তৰে সহায় কৰিব বুলি কথা দিছিল।

অৰণ্যৰ সেই ঘটনাৰ এমাহৰ অন্তত কোশলদেশৰ সৈন্যৰ সহায়তা লাভ কৰি বিজয়দত্তই কৌশাম্বীদেশ আক্ৰমণ কৰিলে আৰু মহাৰাজ ধীৰসিংহক বেয়াকৈ পৰাজিত কৰিলে।

কিন্তু বিজয়দত্তই পৰাজিত মহাৰাজ বীৰসিংহক কোনো প্ৰকাৰৰ অপমান নকৰিলে। বিজয়দত্তই পৰাজিত মহাৰাজ বীৰসিংহক ক'লে, "মহাৰাজ, কোনো প্ৰকাৰৰ প্ৰতিকাৰ কৰা বা প্ৰতিশোধ লোৱাৰ ইচ্ছা মোৰ সমূলি নাই। বাধ্যত পৰিয়েই আপোনাৰ দেশ আক্ৰমণ কৰি আমাৰ হৃতৰাজ্য পুনৰুদ্ধাৰ কৰিছোঁ। আপোনাৰ কৌশাম্বীদেশ আপুনিয়েই পূৰ্ববৎ শাসন কৰি থাকক।"

বিজয়দত্তৰ এই উদাৰতত মহাৰাজ ধীৰসিংহ অভিভূত হ'ল। তেওঁ ক'লে, "বোপা, মই তোমাৰ পিতৃদেউতাৰাক যি অন্যায় আচৰণ কৰিছিলোঁ, তাৰ প্ৰায়শ্চিত্ত হিচাপে মই তোমাৰ অধীনত

বাৰ বছৰ বছৰ কাল সামন্ত ৰজা হৈ থাকিম আৰু আমাৰ দেশৰ সৰাতোকৈ মূল্যৱান—তোমাক যি লাগে—উপঢৌকন হিচাপে দিম। এতিয়া — তোমাক কি লাগে—তুমিয়েই কোৱা।"

এই কথাৰ উত্তৰত বিজয়দত্তই হাঁহি হাঁহি ক'লে, "মহাৰাজ, খুজি লোৱা বস্তুক—উপঢৌকন বুলি কেতিয়াও কোৱা নাযায়। আপুনি আপোনাৰ সুপুত্ৰীৰপৰা সকলো কথাতে পৰামৰ্শ লয়, এই কথাটোও তেওঁকে সোধক।"

দেউতাকৰ মুখে সকলো কথা শুনাৰ অন্তত মঞ্জীৰাই দেউতাকক সুধিলে, "দেউতা, আপুনি তেওঁক এজন ব্যক্তি হিচাপে উপঢৌকন দিবনে এগৰাকী ৰজা হিচাপে উপঢৌকন দিব বুলি ভাবিছে?"

এই কথাৰ উত্তৰত বীৰসিংহই ধীৰে-শাঁতে ক'লে, "নহয়, ৰজা হিচাপে নহয়, এক উদাৰচিতীয়া তথা বিবেকৱান ব্যক্তি হিচাপে মই এই উপঢৌকন দিম।"

মঞ্জীৰাই মিচিকীয়াই হাঁহি, তলমূৰ হৈ ক'লে, "ব্যক্তি হিচাপে—আপুনিও এগৰাকী পিতৃ। এগৰাকী পিতৃৰ ওচৰত নিজৰ পুত্ৰাতকৈ মূল্যৱান আৰু কিবা থাকিব পাৰেনে?"

জীয়েক মঞ্জীৰাৰ কথা শুনি ধীৰসিংহই কেইক্ষন্তেকমান মনে মনে থাকিল। তাৰ পাছত—মঞ্জীৰাৰ কথাখিনি তাইৰ মনৰে কথা বুলি উপলব্ধি কৰি হাঁহি হাঁহি ক'লে, "হয়, আই, হয়। বোধহয়—এই কাৰণেই বিজয়দত্তয়ো মোক মূল্যৱান উপঢৌকনৰ বিষয়ে তোমাৰপৰা পৰামৰ্শ ল'বলৈ ক'লে। বাৰু, এই মহামূল্যৱান বস্তুকে উপঢৌকন হিচাপে তাক দিয়া যাব।"

এই ঘটনাৰ কিছুদিনৰ অন্তত বিজয়দত্তৰ সৈতে মঞ্জীৰাৰ বিয়া পতা হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, বিজয়দত্তৰ ৰূপমুগ্ধ হৈয়েই মঞ্জীৰাই তাইৰ

দেউতাকক তেনেকৈ কৈছিল নে ? বিজয়দত্ত মানুহ হিচাপে অতি সজ্জন হোৱাতহে মহাৰাজ ধীৰসিংহ বেয়াকৈ হাৰিও সাৰি গ'ল। নহ'লে—মহাৰাজ ধীৰসিংহই পা-পৰিয়ালে জংগলত জীৱন যাপিবলগা হ'লহেঁতেন। কিন্তু তথাপি—মঞ্জীৰাহেন বুদ্ধিমতী-জ্ঞানৱতী ৰাজকুঁৱৰীয়ে এসময়ত তেওঁৰ দে তাকৰ তলতীয়া সামন্ত ৰজাৰ পুত্ৰ ৰাজ্যহীন বিজয়দত্তৰ ওচৰত প্ৰকাৰান্তৰে নিজক কি কাৰণে সমৰ্পণ কৰিছিল — সেই কথা জানিও যদি সঠিককৈ নোকোৱা—তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিতাই ক'লে, "মুৰ্খ ই হাজাৰ কথাতো কথা নুবুজা হয়; কিন্তু বুদ্ধিমানে এষাৰ কথাতে—বা মাত্ৰ ইংগিতেৰেই কথাৰ বুজ ল'ব পাৰে। বিজয়দত্তই যে প্ৰতিবেশী কোশলৰাজ্যৰ ৰজা বিনয়সেনৰ সহায়তা পাব, আৰু এই সহায়তাৰে শক্তিমান হৈ কৌশাম্বীক আক্ৰমণ কৰি মহাৰাজ বীৰসিংহক পৰ্যুদস্ত কৰিব পাৰিব—সেই কথা বুজাত মঞ্জীৰাৰ অসুবিধা হোৱা নাছিল। প্ৰধানকৈ — পিতৃ বীৰসিংহক বিপৰ্য্যয়ৰপৰা ৰক্ষা কৰিবলৈ আৰু লগতে দেশখনকো স বিক পতনৰ'পৰা ৰক্ষা কৰিবলৈ দূৰদৃষ্টিসম্পন্না ৰাজকুঁৱৰী মঞ্জীৰাই দেউতাকক তেনেকৈ কৈ তেনেকুৱা ব্যৱস্থা অৱলম্বন কৰিছিল। কিয়নো — নহ'লে কোশলদেশৰ সৈন্যবলেৰে শক্তিমান আৰু বলীয়ান বিজয়দত্তই কৌশাম্বীদেশক সম্পূৰ্ণ ধ্বংসও কৰিব পাৰিব বুলি মঞ্জীৰাই ভাবিছিল। সেই কাৰণে — মঞ্জীৰাইহে সুকৌশলে বিজয়দত্তক চিৰজীৱনৰ বাবে বন্দী কৰিছিল বুলি ক'ব পাৰি।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



চান্দমামা-ক্রোড়পত্র-২৪

জ্ঞান-ভাণ্ডাৰ

তেওঁনো কোন

১৬ শতিকাৰ প্ৰাৰম্ভণীত গুজৰাটৰ শাসক বাহাদুৰ শ্বাহই বিৰাট সৈন্য-বাহিনীৰ সহায়ত চিতোৰ দুৰ্গ আক্ৰমণ কৰিলে। দুৰ্ভাগ্যক্ৰমে, মেৱাৰৰ মহাৰাজ তেতিয়া অসুস্থ অৱস্থাত শয্যাগত হৈ আছিল। ৰাজাৰ মন্ত্ৰী সেনাপতি উচ্চ ৰাজকৰ্মচাৰীসকল কক্ষ এটাত সন্মিলিত হ'ল আৰু এই বিষয়ে আলোচনা কৰিলে। এজনে ক'লে, "আমাৰ সৈন্যক চলাব পৰা নেতা নাই, গতিকে এইবাৰ আমাৰ পৰাজয় অৱশ্যম্ভাৱী।"

এই কক্ষৰ বাহিৰপৰা হঠাৎ এক নাৰীকণ্ঠই কৈ উঠিল, "আমাৰ সৈন্যবলতকৈ শত্ৰুৰ সৈন্যবল নিশ্চয় অধিক। আৰু — আমাৰ চিতোৰ দুৰ্গ অধিকাৰ কৰাৰ পৰিপূৰ্ণ আঁচনি লৈয়েই শত্ৰুসৈন্য আহিছে। কিন্তু সেই বুলি—চিতোৰ দুৰ্গ ৰক্ষাৰ বাবে নেতা নাই—এই অপবাদ এই কলংক ভৱিষ্যতৰ ইতিহাসৰ পাতত লিখিবলৈ মই নিদিওঁ। এতিয়াৰপৰা ময়েই এই নেতৃত্ব গ্ৰহণ কৰিলোঁ।" এই বুলি কৈয়েই সেই নাৰীগৰাকীয়ে তৰোৱাল হাতত ল'লে।

এই নাৰী কোন আছিল?

[উঃ ৩৬ পৃঃ]

আপুনি জানেনে?

১. ইন্দোনেছিয়া আৰু মালয়দেশত কোন হিন্দু ৰজাই মহান হিন্দু ৰাজ্য স্থাপন কৰিছিল?
২. তেওঁৰ সেই ৰাজ্যৰ ৰাজধানীৰ নাম কি আছিল?
৩. বৌদ্ধ ধৰ্মৰ প্ৰথম প্ৰচাৰকাৰী তিব্বতী ৰজা কোন আছিল? তেওঁ কেতিয়া এই প্ৰচাৰ কৰিছিল।
৪. তেওঁৰদ্বাৰা স্থাপিত নগৰৰ নাম কি আছিল?
৫. তেওঁ ভাৰতবৰ্ষলৈ প্ৰেৰণ কৰা ৰাজদূত কোন আছিল?

[উঃ ৩৬ পৃঃ]

শ্ৰাৱস্তী নগৰ



আজিৰ উত্তৰপ্ৰদেশত অৱস্থিত ৰাপ্তী নৈৰ তীৰত থকা ছহেত-মহেত নামৰ গাঁও এখনৰ সীমাৱৰ্তী ঠাইত সুপ্ৰাচীন শ্ৰাৱস্তী নগৰৰ ধ্বংসাৱশেষ পৰিদৃষ্ট হয়। ইক্ষাকু-বংশীয় ৰজা শ্ৰাৱস্তই এই নগৰ প্ৰতিষ্ঠা কৰাহেতুকে এই নগৰৰ নাম 'শ্ৰাৱস্তী'। শ্ৰাৱস্তী নগৰৰ বিশদ বিৱৰণ পোৱা যায়।

গৌতম বুদ্ধৰ কালত শ্ৰাৱস্তী আছিল কোশল ৰাজ্যৰ ৰাজধানী। তেতিয়া প্ৰসেনজিৎ আছিল কোশল ৰাজ্যৰ ৰজা। বিৰাট বিৰাট আহল-বহল ৰাজআলি, সুৰম্য উদ্যান, পদ্ম-সৰোৱৰ আদিৰে সুশোভিত শ্ৰাৱস্তী আছিল অতি সুন্দৰ। এই নগৰ বাণিজ্যৰ কাৰণেও বিখ্যাত আছিল। সুদত্ত নামৰ বণিজাৰ আছিল অতি বিখ্যাত। পাছত এওঁ বুদ্ধৰ শিষ্য গ্ৰহণ কৰিছিল। তেওঁৰ আমন্ত্ৰণক্ৰমেই বুদ্ধ কিছুদিনৰ বাবে শ্ৰাৱস্তীত আছিলহি।

তেতিয়াৰ দিনৰ এক ভয়াবহ দুৰ্দ্ধৰ্ষ ডকাইত অঙ্গুলিমাল। অঙ্গুলিমালে হাতৰ আঙুলিবোৰ কাটি লৈছিল আৰু তাৰে মালা গুঠি ডিঙিত পিন্ধিছিল। ৰজা প্ৰসেনজিতে বহু চেষ্টাতো অঙ্গুলি-মালক ধৰিব নোৱাৰিলে। অঙ্গুলিমালে এহেজাৰ আঙুলিৰ মালা পিন্ধিব বুলি ঘোষণা কৰিছিল। ৰজাই তাক ধৰাৰ কথা শুনি অঙ্গুলিমালৰ মাকে অৰণ্যলৈ গৈ তাক খবৰটো দিলে। আৰু মাত্ৰ এটা আঙুলি হ'লেই অঙ্গুলিমালৰ মনোবাসনা পূৰ্ণ হয়। এইবাৰ সি তাৰ নিজৰ মাকৰ আঙুলি এটা কাটি ল'বলৈ উদ্যত হ'ল আৰু লগে লগে তাত ঠিক সেই মুহূৰ্তত বুদ্ধদেৱ উপস্থিত হ'লহি। বুদ্ধদেৱৰ উপদেশত অঙ্গুলিমালে হিংসা পৰিত্যাগ কৰি অহিংসাত দীক্ষিত হ'ল

সম্বাদ-বি-সম্বাদ

আৰু তাৰ জীৱনধাৰা সম্পূৰ্ণ সলনি হৈ গ'ল।

তেতিয়া অঙ্গুলিমালেও ভিক্ষাপাত্ৰ হাতত লৈ ভিক্ষা কৰিবলৈ নগৰবাসীৰ দুৱাৰে দুৱাৰে গৈ থাকিল। নগৰৰ অধিবাসীসকলে যেতিয়া অঙ্গুলিমালৰ প্ৰকৃত পৰিচয় জনা হ'ল, তেতিয়া নাগৰিকসকলে অঙ্গুলিমাললৈ শিল দলিয়াবলৈ ধৰিলে আৰু এইদৰে তাৰ মৃত্যু হ'ল।

ছহেত-মহেত গাঁৱত থকা ধ্বংসাৱশেষে আজিও সিদিনাৰ শ্ৰাৱস্তীৰ সেই অপাৰ বৈভৱৰ চিনাকি আমাৰ আগত দাঙি ধৰে।

সহ্য-শক্তিৰ ভিন্নতা!

ব্যাধি মানেই শাৰীৰিক যন্ত্ৰণা। কিন্তু একেটা ব্যাধিয়েই বিভিন্ন জনৰ ক্ষেত্ৰত বিভিন্ন বিধৰ যন্ত্ৰণাৰ সৃষ্টি কৰিব পাৰে। মানসিক অৱস্থাৰ বিভিন্নতাই যন্ত্ৰণাৰো বিভিন্নতা সৃষ্টি কৰে। অ'হিঅ' বিশ্ববিদ্যালয়ত শহাৰ ওপৰত পৰীক্ষা কৰি এই সিদ্ধান্তলৈ অহা হৈছে যে—আদৰ যত্নেৰে প্ৰতিপালিত শহাই অন্যান্য শহাৰ তুলনাত সহজভাৱে ৰোগযন্ত্ৰণা সহ্য কৰিব পাৰে।



আঠ বছৰীয়াই এছ. এছ. ছি-ৰ পৰীক্ষা দিব!

পশ্চিমবংগৰ আদ্ৰাৰ মৌচুমী চক্ৰৱৰ্তী নামৰ পৰীক্ষা ছোৱালীজনী মাত্ৰ আঠবছৰীয়াতে মাধ্যমিক দিবলৈ প্ৰস্তুতি চলাইছে। প্ৰখৰ বুদ্ধি থকা এই ছোৱালীজনীয়ে পৰীক্ষক- মণ্ডলীৰপৰা পৰীক্ষাত বহাৰ অনুমতিৰ বাট চাই আছে।

সাহিত্যৰ কিঞ্চিত

১. মিছৰ-সম্পৰ্কিত অতি প্ৰাচীন গ্ৰন্থখনৰ নাম কি?

২. কাক 'ইতিহাসৰ জনক' বুলি কোৱা হয়?

৩. কোনগৰাকী লেখকে ফৰাছি-বিদ্ৰোহৰ সমল যোগাইছিল?

৪. তেওঁৰ ৰচনাৰ ধাৰা কি আছিল?

৫. ঊনৈছ শতিকাত কোনখন ফৰাছি উপন্যাস সৰ্বাধিক প্ৰচাৰিত হৈছিল? সেই উপন্যাসৰ লেখক কোন আছিল?

উত্তৰ

কোন?

মেৱাৰৰ ৰাণী কৰ্ণাৱতী।

জানোনে?

১. শ্ৰীবিজয়।

২. সুমাত্ৰাত—পালেমবেং।

২. স্ট্ৰং-ৎছান গেম্পো, ৭ম শতিকা।

৪. তিব্বতৰ ৰাজধানী—লাছা।

৫. থোনমি শম্ভোত্ৰা ; এওঁ ভাৰতৰপৰা বৌদ্ধ ধৰ্মগ্ৰন্থ আৰু লগতে দেৱনাগৰী লিপি তিব্বতলৈ লৈ গৈছিল। পাছত এই লিপি তিব্বতত প্ৰচলিত হৈছিল।

সাহিত্য

১. 'মৃতাত্মাৰ গ্ৰন্থ'।

২. হেৰ'ডোটাছ (৪৮৪—৪২৫ খৃঃ পূঃ)

৩. ভলতেৰ।

৪. ব্যংগ-প্ৰধান ধাৰা।

৫. ভিক্তৰ হুগোৰ 'লা মিজাৰেব্‌ল্'।



শ্ৰীৰামকৃষ্ণ পৰমহংস

(৫)

ৰামকৃষ্ণই প্ৰচণ্ড দ্ৰুততাৰে আৰু অবিশ্বসনীয় স্মৃতিশক্তিৰে বেদান্তৰ জ্ঞান আহৰণ কৰাত মহান সন্ন্যাসী তোতাপুৰী বিস্মিত আৰু অতি আনন্দিত' হ'ল।

জীৱনৰ এই স্তৰত ৰামকৃষ্ণৰ মানৱাত্মাৰ সৈতে নিবিড় আত্মীয়তা স্থাপিত হৈছিল। এবাৰ গংগাবক্ষত নাও এখনত এজন নাৱৰীয়াই আন এজন নাৱৰীয়াক প্ৰহাৰ কৰাত ৰামকৃষ্ণ বেদনাত আৰ্তনাদ কৰি উঠিল আৰু দেখা গ'ল যে সেই প্ৰহাৰৰ দাগবোৰ ৰামকৃষ্ণৰ নিজৰ পিঠিত ফুটি উঠিছে।



তোতাপুৰীৰপৰা শিক্ষা সমাপ্ত কৰাৰ অন্তত ৰামকৃষ্ণ ইছলাম ধৰ্মৰ প্ৰতি আকৃষ্ট হ'ল। ইছলাম ধৰ্মত কি আছে তাৰ থ্‌লমুল্‌ বুজ ল'বলৈ।তেওঁ ইছলাম ধৰ্মৰ চৰ্চাতো মনোনিবেশ কৰিছিল।



এবাৰ মথুৰানাথৰ সনিৰ্বন্ধ অনুৰোধত ৰামকৃষ্ণই তেওঁলোকৰ সৈতে তীৰ্থ-যাত্ৰালৈ ওলাল। তেওঁলোকৰ নাও যেতিয়া বাৰাণসী অৰ্থাৎ কাশীৰ গংগাৰ ঘাট পালেগৈ, তেতিয়া সমগ্ৰ বাৰাণসী নগৰখনক ৰামকৃষ্ণই সোণেৰে মেৰিউৱা যেন দেখা পালে। প্ৰকৃতপক্ষে— বস্তুতান্ত্ৰিক বাৰাণসীৰ আঁৰত লুকাই থকা আধ্যাত্মিক ৰূপহে তেওঁ দেখা পাইছিল।

বিশ্বনাথ আৰু কেদাৰনাথ মন্দিৰত শ্ৰীৰামকৃষ্ণ প্ৰায়েই অতি ভাব-বিহ্বল হৈছিল আৰু যিস্থলত সাধাৰণ তীৰ্থ-যাত্ৰীয়ে মন্দিৰত কেৱল নিশ্চল বিগ্ৰহ-সমূহকহে দেখা পাইছিল, ৰামকৃষ্ণই সেই নিশ্চল বিগ্ৰহসমূহৰ সৈতে একাত্ম হৈ হেনো মাত-বোল কৰিব পাৰিছিল।





ৰাৰাণসীত তেওঁ তেতিয়াৰ কালৰ অন্যতম বিৰাট সন্ত ত্ৰৈলঙ্গস্বামীৰ দৰ্শন লাভ কৰিছিল। ত্ৰৈলঙ্গস্বামী আছিল অসীম স্বৰ্গীয় শক্তি সম্পন্ন; কিন্তু দেখাত শিশুৰ দৰে ত্ৰৈলঙ্গস্বামীৰ মাজত শিৱক দেখা পাই ৰামকৃষ্ণই সেই ত্ৰৈলঙ্গস্বামীক পৰমান্ন খুৱাইছিল।

এবাৰ তেওঁৰ ভতিজা হৃদয়ে নিজগৃহতে দুৰ্গাপূজা পাতিবলৈ মনস্থ কৰি ৰামকৃষ্ণকো সেই পূজাত যোগ দিবলৈ ক'লে। ৰামকৃষ্ণই সৌশৰীৰে তালৈ নগ'ল ; কিন্তু হৃদয়ে দুৰ্গা গোসাঁনীৰ পূজাৰ মাজতে ৰামকৃষ্ণক দেখা পালে।





১৮৭১ চনত, ৰাণী ৰাসমণিৰ যোগ্য উত্তৰাধিকাৰী মথুৰানাথ গুৰুতৰ পীড়িত হ'ল। মথুৰানাথ যেতিয়া কালীঘাটত আছিল—ৰামকৃষ্ণই দক্ষিণেশ্বৰত বহি ধ্যানযোগে জানি লৈ তেওঁৰ প্ৰিয় শিষ্য মথুৰানাথৰ দেহান্ত হোৱাৰ কথা নিৰ্যিধ-নিৰ্লিপ্তভাবে ঘোষণা কৰিছিল।

১৯৭২ চনত শ্ৰীৰামকৃষ্ণৰ পত্নী সাৰদা দেৱী দক্ষিণেশ্বৰলৈ আহিল। মহাপুৰুষ ৰামকৃষ্ণৰ সহধৰ্মিণী ৰূপে তেওঁ যে আধ্যাত্মিক জীৱনযাপন কৰিব লাগিব, সেই কথা সাৰদাদেৱীয়ে উপলব্ধি কৰি নিজক ৰামকৃষ্ণৰ চৰণত সমৰ্পণ কৰিছিল।



এদিন ৰামকৃষ্ণই সাৰদাদেৱীক ফুলেৰে পূজিলে আৰু অনেক মন্ত্ৰও মাতিলে। প্ৰকৃততে—ৰামকৃষ্ণই সাৰদাৰ অন্তৰ আধ্যাত্মিকতাৰে প্ৰক্ষালিত কৰি ভৱিষ্যতৰ বাবে তেওঁক প্ৰস্তুত কৰিলে।

খ্ৰীষ্টধৰ্মৰ প্ৰতিও ৰামকৃষ্ণৰ মনত প্ৰবল অনুসন্ধিৎসা জাগ্ৰত হৈছিল। এদিন তেওঁ যেতিয়া শিশু যিশুক কোলাত লৈ থিয় হৈ থকা মাৰীলৈ (মেৰী) চাই আছিল, তেতিয়া সেই চিত্ৰৰপৰা এছাটি পোহৰ ৰামকৃষ্ণৰ মুখৰ ওপৰত বিয়পি পৰিল। এই ঘটনাত ৰামকৃষ্ণ অত্যন্ত মুগ্ধ আৰু আনন্দিত হৈছিল।

এই অদ্ভুত ঘটনাৰ তিনিদিনৰ অন্তত শ্ৰীৰামকৃষ্ণ ভাৱত বিভোৰ হৈ এজোপা বৃক্ষ-তলত বহি থাকোঁতে এগৰাকী দিব্যপুৰুষে তেওঁক আঁকোৱালি ল'লে আৰু সেই দিব্যপুৰুগৰাকী যে স্বয়ং যিশু পাছ মুহূৰ্ততে সেই অভাৱিত কথা ৰামকৃষ্ণই হৃদয়ত পৰিপূৰ্ণভাৱে অনুভৱ কৰিছিল। [অহা সংখ্যাত সমাপ্ত]

মহাৰাজ-যোগ

একালত বুন্দেলখণ্ডত ঠাকুৰ বংশীয় ৰাজত্ব আছিল; সেই ঠাকুৰ বংশৰ সন্তান ৰূপসিং আছিল নিচেই দুখীয়া। ৰূপসিঙৰ কোনো ৰাজত্ব তো নাছিলেই, প্ৰতিদিন দুসাজ ঠিকমতে খাবলৈকো নুজুৰিছিল। ৰূপসিঙৰ সম্পত্তি বোলোঁতে আছিল— এটোপোলা পুৰণা কাপোৰ-কানি, এখন সত্‌ৰঞ্জি, এখন কম্বল আৰু এখন কুঠাৰ। ৰূপসিঙে বিয়া-বাৰুও কৰোৱা নাছিল।

কুঠাৰখন লৈ ৰূপসিং নিতৌ জংগললৈ যায়, জংগলৰপৰা খৰিকাঠ বোটলে, সেই খৰিকাঠ চহৰত চাৰে তিনি টকাৰে বেচে, বেচি—সেই টকাৰপৰা ডেৰ টকা ধোবাক দিয়ে, ধোবাই ৰূপসিঙক ডেৰ টকাৰ সলনি ৰজাৰ সাজ-পাৰ ভাড়ালৈ দিয়ে, তাৰ পাছত ৰূপসিঙে এটকাৰে এটা ঘোঁৰা ভাড়ালৈ লয়, আৰু তাৰ পাছত—ৰাজ-পোছাক পিন্ধি ঘোঁৰাৰ পিঠিত উঠি ৰূপসিঙে ৰাজআলিত টহলি ফুৰে।

ৰাতিৰ পৰতে ৰূপসিঙে ঘোঁৰা, ৰজাৰ সাজ-পোছাক পুনৰ ওভোতাই দিয়ে, আৰু নিজৰ ফটা-ছিঙা কাপোৰ-কানিখিনি পিন্ধি লয়, সত্‌ৰঞ্জি মাটিত পাৰি লয়, আৰু কম্বল এখন উৰি লয়। তাৰ আগতে অলপ চিৰা-গুৰ-পানী খাই লয়। তাৰ পাছত শুই দিয়ে, আৰু ৰাতিপুৱা পুনৰ কুঠাৰ কান্ধত লৈ জংগললৈ ওলাই যায়।

এদিন — জংগলত খৰিকাঠ বুটলি থাকোঁতে, হঠাৎ ৰূপসিঙে ক'ৰবাৰপৰা সুগন্ধ ওলোৱা যেন পালে। ইফালে-সিফালে চাই — অলপমান আঁতৰত ৰূপসিঙে প্ৰচুৰ চন্দনগছ দেখা পাই—

'বুন্দেলখণ্ডী লোক-কাহিনী'



কুঠাৰেৰে এজোপা চন্দনৰপৰা সামান্য কাঠ কাটি ল'লে।

সেইদিনাও আনদিনাৰ দৰে ৰাজকীয় সাজ-পাৰ পিন্ধি ঘোঁৰাত উঠি গৈ থাকোঁতে এজন বিদেশীয়ে ৰূপসিঙক ক'লে, "পন্নাম হওঁ—মহাৰাজ !"

ৰূপসিং ৰ'ল। তাৰ পাছত গহীন কণ্ঠেৰে সুধিলে, "তুমি কোন— ?"

"মহাৰাজ, মই এজন পৰদেশী বেপাৰী। আপোনাৰ দেশত বাণিজ্য শেষ কৰি এতিয়া সিংহল দেশ লৈ যাম।"

ৰূপসিঙে মুহূৰ্তমান ভাবি লৈ সেই চন্দন কাঠ বেপাৰীৰ হাতত দিলে আৰু ক'লে, "এই চন্দন কাঠ সিংহলদেশৰ ৰজালৈ ঠাকুৰ ৰূপসিঙৰ উপঢৌকন হিচাপে দিবা, বেহা-বেপাৰৰ কিছু সুবিধা হ'ব।"

এই কথা কৈয়েই ৰূপসিঙে দ্ৰুত গতিৰে ঘোঁৰা চেঁকুৰাই গুচি গ'ল।

বেপাৰীয়ে ৰূপসিঙৰ উপঢৌকন সিংহল-দেশৰ ৰজাক দিলে। সিংহলদেশৰ ৰজাই চন্দনবৃক্ষৰ নামকে শুনা নাছিল। গতিকে এই সুগন্ধি কাঠ উপঢৌকন হিচাপে পাই তেওঁ প্ৰকৃততেই ভাল পালে। ৰজাই এই বেপাৰীক বহু বিধৰ সা-সুবিধা দিলে আৰু এই বেপাৰীৰ হতুৱায়েই মূল্যবান ৰত্ন-খচিত পাদুকা এযোৰ মহাৰাজ ঠাকুৰ ৰূপসিঙলৈ উপঢৌকন হিচাপে পঠালে।

বেপাৰী পুনৰ বুন্দেলখণ্ডলৈ উভতি আহিল, আৰু আহি সেই চাৰিআলিৰ কাষতে ৰূপসিঙলৈ বৈ থাকিল। আৰু যথাবিধি ৰূপসিঙো ঘোঁৰাত উঠি সাঁজ লগাৰ আগে আগে তালৈ আহিল।

"পন্নাম হওঁ, মহাৰাজ !" বেপাৰীয়ে ঘোৰাচোৰাৰী ৰূপসিঙক ক'লে।

"তুমি কোন ?" ৰূপসিঙে তাৰ ঘোঁৰাটোক ৰখাই সুধিলে।

"মহাৰাজ, মই সেই পৰদেশী বেপাৰী। আপুনি সেই যে সিংহলদেশৰ ৰজালৈ চন্দন কাঠ উপঢৌকন হিচাপে পঠাইছিল,

সেই চন্দনকাষ্ঠ মই তেওঁক দিয়াত, তেওঁ অত্যন্ত প্ৰীত হৈ, আপোনালৈকো এই উপঢৌকন প্ৰেৰণ কৰিছে। অনুগ্ৰহ কৰি এই উপঢৌকন গ্ৰহণ কৰক, মহাৰাজ!" পৰদেশী বেপাৰীয়ে নম্ৰতাৰে ক'লে।

"এইবাৰ তুমি বেপাৰৰ কাৰণে ক'লৈ যাবা?" ৰূপসিংহে সুধিলে।

"আৰৱদেশলৈ, মহাৰাজ!"

"তেনেহ'লে এই পাদুকাযোৰ—মোৰ হৈ তুমি আৰৱদেশৰ ছুলতানক উপঢৌকন হিচাপে দিবা, তাৰে তোমাৰো কিছু সুবিধা হ'ব।" ইমানকে কৈ ৰূপসিংহ ঘোঁৰা চলাই গুচি গ'ল।

পৰদেশী বেপাৰীয়ে ৰত্ন-খচিত মহা-মূল্যৱান সেই পাদুকাযোৰ আৰৱদেশৰ ছুলতানক মহাৰাজ ৰূপসিংহৰ হৈ উপঢৌকন হিচাপে দিলে।

ৰত্ন-মণি-মুকুতা-খচিত অভিনৱ পাদুকা-যোৰ পাই আৰৱদেশৰ ছুলতান অতি আনন্দিত হ'ল আৰু তেওঁ ঠাকুৰ ৰূপসিংহলৈ এশ শ্ৰেষ্ঠ আৰৱীয় অশ্ব এই পৰদেশী বেপাৰীৰ লগত পঠাই দিলে আৰু ক'লে, "পৰদেশী বেপাৰী, তুমি ঠাকুৰ ৰূপসিং মহাৰাজক ক'বা যে—এই এশটি সৰ্বশ্ৰেষ্ঠ আৰৱীয় ঘোঁৰা মোৰ ফালৰপৰা মহাৰাজ ৰূপসিংহলৈ যৎসামান্য উপঢৌকন।"

যথাৰীতি পৰদেশী বেপাৰী পুনৰ বুন্দেলখণ্ড পালেগৈ, ঘোঁৰাবিলাকক লৈ চাৰিঅলিত ৰ'লগৈ, যথানিয়মে গধূলিৰ আগে আগে ৰূপসিং ঘোঁৰাত উঠি আহিল, আৰু তেতিয়া পৰদেশী বেপাৰীয়েও যথাবিধি ৰূপসিংহক প্ৰণাম কৰি আৰৱ-দেশৰ ছুলতানে দিয়া ঘোঁৰাবিলাক দিলে।

"এইবাৰ তুমি কোনদেশলৈ যাবা?" ৰূপসিংহে সুধিলে।

"মই পুনৰ সিংহলদেশলৈ যাম, মহাৰাজ!" পৰদেশী বেপাৰীয়ে ক'লে।

"অ—। তেনে'হলে—এই ঘোঁৰা-বিলাক তুমি সিংহল দেশলৈ লৈ যোৱা,

আৰু সিংহলদেশৰ ৰজাক মোৰ হৈ দিয়াগৈ।” ইমানকে কৈ ৰূপসিং দ্ৰুত-গতিৰে ঘোঁৰা চলাই গুচি গ'ল।

এইবাৰ এই উপঢৌকন পাই সিংহল-দেশৰ ৰজাৰ ইমানেই ভাল লাগি গ'ল যে—তেওঁ যিকোনো মূল্যতে ঠাকুৰ ৰূপসিঙক চিৰস্থায়ী মিত্ৰতাৰ বন্ধনেৰে আবদ্ধ কৰিবলৈ ভবা-গুণা কৰিবলৈ ধৰিলে।

সিংহলদেশৰ ৰজাই পৰদেশী বেপাৰীক ৰূপসিঙৰ সম্পৰ্কে সোধ-পোছ কৰি জানি ল'লে যে—ৰূপসিং বয়সত যুবক, দেখাতো সুপুৰুষ আৰু বিয়া-বাৰু কৰোৱা নাই। শুনি সিংহলদেশৰ ৰজাই তেওঁৰ একমাত্ৰ ছোৱালীজনীক ৰূপসিঙক দিবলৈ সাব্যস্ত কৰি—ৰূপসিঙলৈ ৰাজকীয় আভূষণ, সাজ-পাৰ আৰু লগতে ৰূপসিঙৰ আলপৈচান ধৰাৰ বাবে কিছুমান লিগিৰাকো পঠালে।

পৰদেশী বেপাৰীয়ে—ৰূপসিঙৰ প্ৰাসাদ যে ক'ত—সেইকথা নাজানে। গতিকে—সিংহলদেশৰ ৰজাই পঠোৱা লিগিৰাহঁতক লগত লৈ সেই চাৰিআলিৰ কাষতে ৰূপ-সিঙলৈ বাট চাই ৰৈ থাকিল।

প্ৰতিদিনৰ নিয়মমতে ৰূপসিং ঘোঁৰাত উঠি আহিল। পৰদেশী বেপাৰীয়ে ৰূপ-সিঙক সকলো কথা ভাঙি-পাতি ক'লে, সিংহলদেশৰ ৰজাই পঠোৱা আভূষণ আৰু ৰাজকীয় সাজ-পাৰখিনি দিলে। ৰূপসিঙে পৰদেশী বেপাৰীক আৰু লিগিৰাহঁতকো তাতেই ৰৈ থাকিবলৈ কৈ, ঘৰলৈ উভতি গৈ, সিংহলদেশৰ ৰজাই পঠোৱা সাজ-পাৰ পিন্ধি—আটাইবিলাকক লগত লৈ সিংহল দেশলৈ বুলি ৰাওনা কৰিলে।

কিছুদিনৰ পাছত সিংহলদেশৰ ৰাজ-কুঁৱৰীক বিয়া কৰাই, সিংহলদেশৰ পুত্ৰহীন ৰজাৰ পুত্ৰস্বৰূপ হৈ, তাতে নিগাজীকৈ থাকি, সিংহলৰ ৰজাৰ মৃত্যুৰ অন্তত সিংহল-দেশৰ ৰজা হৈ ৰূপসিং মহাৰজাই সুখে-সন্তোষে ৰজাৰ জীৱন যাপন কৰিছিল।



৫

গজপুষ্পৰ মালা ডিঙিত পিন্ধি সুগ্ৰীৱ পুনৰ কিষ্কিন্ধ্যলৈ বুলি ৰাওণা হ'ল। সুগ্ৰীৱ আৰু লক্ষ্মণ চলিল আগে আগে, আৰু এওঁলোকৰ পিছে পিছে গৈ থাকিল বীৰ হনুমান, নল আৰু তাৰ্।

বাটত এঠাইত গছে-বনে ভৰপূৰ অটব্য অৰণ্য দেখা পাই ৰামচন্দ্ৰই এই অৰণ্যৰ সবিশেষ সুগ্ৰীৱক সোধাত সুগ্ৰীৱে এইদৰে কৈ থাকিল :

'এসময়ত এই ঠাইত এগৰাকী মুনিৰ বাটিকা (আশ্ৰম) আছিল। তেতিয়া এই অৰণ্য আছিল ফলে-মূলে ভৰপূৰ। সপ্তজন নামৰ মহাতপস্বী ইয়াতে তপস্যা কৰি সৌশৰীৰে স্বৰ্গলাভ কৰিছিল। কিন্তু এতিয়া এই অৰণ্য এক নিষিদ্ধ ঠাই। অন্যকি—পশু-পক্ষীৰ কাৰণেও নিষিদ্ধ। যদিহে কোনোবা নৰ-বানৰ-পশু-পক্ষী এই অৰণ্যলৈ সোমাই যায়, সি আৰু কদাপি ওলাই আহিব নোৱাৰিব। ইয়াত এতিয়া অপ্সৰীহঁতৰ নৃত্য চলি থাকে, বিভিন্ন সুৰভিত ফুল ফুলি এই অৰণ্যক আমোল-মোলোৱা কৰি ৰাখে। এই অৰণ্যৰ বৃক্ষোপৰি যে কালিমা দৃষ্ট হৈছে, সেই কালিমা মুনিৰ আশ্ৰমত সদা-সৰ্বক্ষণ ত্ৰেতাগ্নি জ্বলি থকা হেতুকে হোৱা বুলি কোৱা হয়।'

এই কথা শুনি ৰাম-লক্ষ্মণে সপ্তজন মুনিক তেওঁলোকৰ অন্তৰত ধ্যান কৰি সেই অৰণ্যলৈ নমস্কাৰ জনালে।

'বালী-বধ'

তাৰ পাছত তেওঁলোক বৃক্ষসমূহৰ আঁৰ লৈ লৈ গৈ গৈ কিষ্কিন্ধ্যা পালেগৈ।

সুগ্ৰীৱে এবাৰ চাৰিওফালে সাৱধানী দৃষ্টিৰে চালে আৰু তাৰ পাছত বালীক খীৰবিক্ৰমেৰে যুদ্ধলৈ আহ্বান জনালে। ভয়ানক জোৰেৰে বালীক তেওঁৰ নাম কাঢ়ি মাতি—যদি সাহস আছে—ওলাই আহিবলৈ আহ্বান জনোৱাত সেই ভীষণ চিঞৰ প্ৰাসাদৰ ভিতৰত থকা বালীৰ কাণতো নপৰাকৈ নাথাকিল।

বালীয়ে খঙতে একো নাই হৈ কৈ উঠিল, "কি! ভেৰপেটী মোৱাটোৰ ইমানেই সাহস হ'লনে? সি আকৌ আহিলনে ইয়ালৈ?"

তেতিয়া ওলাই যাবলৈ ধৰা বালীক আগভেটি ধৰি বালীৰ পত্নী তাৰাই বালীক ক'লে, "সুগ্ৰীৱৰ বিৰুদ্ধে ৰণ দিবলৈ এই ৰাতিৰ পৰতে আপুনি ওলাব নালাগে। আপুনি ৰাতিপুৱা ওলালেও হ'ব। এই কথাত আপোনাৰ পৌৰুষ আহত হ'ব নালাগে, কিয়নো — সুগ্ৰীৱ আপোনাৰ তুলনাত নিচেই নগণ্য। মই আপোনাক কিয় বাধা দিছোঁ তাকো কওঁ শুনক। সুগ্ৰীৱে আন কাৰোবাৰ সহায়-সাৰথি পোৱা হৈছে বুলি মোৰ ধাৰণা হৈছে। নহ'লে এইদৰে বুকু ফিন্দাই — সুগ্ৰীৱে থিয় দিব নোৱাৰে। সুগ্ৰীৱৰ লগ লাগি যিয়েই নাহক লাগিলে — আপুনি



তেওঁাকা বধ কৰিব পাৰিবই এনে ধাৰণা বিপদজনক হ'ব পাৰে। সুগ্ৰীৱ অবুদ্ধিমান নহয়। গতিকে—যিজনক লগত লৈ আহিছে—সেইজনৰ শক্তি-পৰাক্ৰমৰ বুজ নোলোৱাকৈ নিশ্চয় লৈ অহা নাই। জীৱ হাতত লৈ এই যে আপোনাৰ বিৰুদ্ধে ৰণ দিবলৈ ওলাইছেহি—তাৰ অন্তৰালত নিশ্চয় আপোনাৰ বিৰুদ্ধে ৰণ দিব পৰা শক্তিধৰ আছে। অংগদ অৰণ্যলৈ গৈছিল, আৰু এই বাতৰি কঢ়িয়াই আনিছিল যে—ইক্ষাকু বংশৰ দশৰথ ৰজাৰ পুত্ৰ ৰাম আৰু লক্ষ্মণ ঋষ্যমূখ পৰ্বতলৈ আহিল। এই ভাই-ককাইদ্বয় হেনো অতি পৰাক্ৰমী আৰু এওঁলোকে সুগ্ৰীৱক সৰ্বতোপ্ৰকাৰে সহায় কৰি আছে।"

তাৰাই বালীক আৰু ক'লে:

"ৰামচন্দ্ৰৰ বিৰুদ্ধে বিৰোধিতাৰ সৃষ্টি নকৰি সুগ্ৰীৱক মতাই অনাই পুনৰ আগৰ দৰে যুৱৰাজ হিচাপে আদৰি লওক। সুগ্ৰীৱ আৰু আপুনি একেগৰ্ভী, সহোদৰ। গতিকে—এই কথাত লজ্জাৰ একো নাই। —আপোনাৰ ভালৰ কাৰণেই কথাখিনি আপোনাক কৈছোঁ।"

কিন্তু মহাবলী বালী পত্নী তাৰাৰ কথাত ভাল নোপোৱা হ'ল। তেওঁ তাৰাক ক'লে, "সুগ্ৰীৱে মোক ৰণ দিবলৈ আহ্বান জনাইছে। গতিকে—মই কাপুৰুষৰ দৰে অন্তঃপুৰত আবদ্ধ হৈ থাকিব নোৱাৰোঁ।

তুমি বহু কথা জানিলেও—এই কথাটো বোধ হয় নাজানা যে—প্ৰকৃত বীৰৰ ওচৰত কাপুৰুষতা হ'ল দ্বিতীয় মৃত্যু। ৰামচন্দ্ৰৰ কথা ভাবি ভয় নকৰিবা। এজন নিৰ্দোষী-নিজগৰীক তেওঁ নিশ্চয় অকাৰণে বধ কৰাজনিত পাপ নকৰিব। মোৰ ভালৰ কথা ভাবি যে তুমি কথাখিনি কৈছা, সেই কথাত মোৰ অণুমাত্ৰ সন্দেহ নাই। কিন্তু তথাপি তুমি মোক বাধা নিদিবা; মই সুগ্ৰীৱৰ দম্ভ চূৰ্ণ-বিচূৰ্ণ কৰিম, কিন্তু —কিন্তু তাক মই বধ নকৰিম।”

এই কথাৰ উত্তৰত তাৰাই আৰু একো নক'লে। তাৰাই বালীক প্ৰদক্ষিণ কৰি যুদ্ধজয়ৰ মন্ত্ৰ উচ্চাৰণ কৰাৰ অন্তত তেওঁৰ সখিয়েক এজনীৰ পিছফাললৈ নিৰৰে-নিমাতে থিয় হ'লগৈ।

তেতিয়া বালী যুদ্ধলৈ আগুৱান হ'ল। বালীয়ে সুগ্ৰীৱৰ সমুখত থিয় দিলেগৈ। সুগ্ৰীৱে বালীৰ প্ৰতি ঘৃণাপূৰ্ণ দৃষ্টিপাত কৰি বালীলৈ মুষ্টিযুদ্ধলৈ আহ্বান জনালে। মুষ্টিযুদ্ধৰ অন্তত সুগ্ৰীৱে বালীক শালবৃক্ষ উপাৰি আনি মাৰিলে। বালী কিঞ্চিত আহত তথা বিচলিত হৈ উঠিল। কিন্তু কিছু সময়ৰ অন্তত সুগ্ৰীৱ ক্ৰমাত নিস্তেজ হ'বলৈ ধৰিলে।

যুদ্ধ কৰি থাকোঁতে সুগ্ৰীৱৰ শক্তি যিমানেই টুটি আহিল—সিমানেই ত্ৰস্তমান হৈ ইফালে-সিফালে চাবলৈ ধৰিলে।

তেতিয়া সুগ্ৰীৱৰ ত্ৰস্তমান অৱস্থাৰ কথা গমি, শ্ৰীৰামচন্দ্ৰই ধনুৰ্বাণ হাতত ল'লে, আৰু মুহূৰ্ততে বালীলৈ টোঁৱাই বাণ এৰিলে।

ৰামচন্দ্ৰ-নিক্ষিপ্ত বাণৰ বিৰাট শব্দ উত্থিত হ'ল, আৰু চকুৰ পচাৰতে বালীৰ বক্ষ ভেদ কৰি ওলাই গ'ল।

ইন্দ্ৰ-প্ৰদত্ত কাঞ্চনমালা ডিঙিত থকাত বালী তৎক্ষণাৎ নমৰিল, কিন্তু বালী ধৰাশায়ী হ'ল।

বালী ধৰাশায়ী হোৱাত বানৰ বীৰসকল



আৰু লগতে ৰাম-লক্ষ্মণো বালীৰ ওচৰলৈ আহি দণ্ডায়মান হ'ল। মৃত্যুপথযাত্ৰী বালীয়ে শ্ৰীৰামচন্দ্ৰলৈ চাই ক'লে:

"হে দশৰথপুত্ৰ! তুমি ৰাজপুত্ৰ। তুমি যথেষ্ট গুণৱন্ত। তুমি সৰ্বশাস্ত্ৰজ্ঞানী আৰু অপূৰ্ব পৰাক্ৰমী। তুমি মহান বংশজ। কিন্তু মই তোমাৰ বিৰুদ্ধে যুদ্ধ কৰা নাছিলোঁ। তথাপি কিয় মোক বাণবিদ্ধ কৰিলা—বুজা নাই। এনে অপকৰ্ম কৰি তুমি তোমাৰ মহান বংশৰ নামত কালিমা লেপন কৰিলানে কি, তুমিহে ক'ব পাৰিবা, আৰু ত্ৰিজগতৰ লোকে ক'ব পাৰিব। মই তোমাৰ প্ৰতি কোনো অন্যায় কৰা নাছিলোঁ। তোমাক অপমান কৰা নাছিলোঁ, তোমাৰ বিৰুদ্ধে ৰণ দিবলৈকো অহা নাছিলোঁ। তথাপি তুমি মোক বাণবিদ্ধ কৰিলা কিয়? তাকো আকৌ লুকাই থাকি? আঁৰৰপৰা? দশৰথৰ পুত্ৰ যে ইমান প্ৰবঞ্চক হ'ব পাৰে, তোমাৰ দৰে কুটিল আৰু পাপী যে কেনেকৈ ইক্ষাকু বংশত জনমিল — ভাবি পোৱা নাই। তোমাৰ যদি শৌৰ্য প্ৰদৰ্শন কৰাৰ ইমানেই ইচ্ছা হৈছিল, তেনেহ'লে—তোমাৰ প্ৰতি ঘোৰ অন্যায়কাৰী ৰাৱণৰ ওপৰত সেই শৌৰ্য্য কিয় প্ৰদৰ্শন নকৰিলা? আৰু—মোক—মোক তুমি চোৰৰ দৰে নামাৰি সমুখ সমৰলৈ আহ্বান কৰাহেঁতেন তোমাক নিশ্চয়েই মই যমৰ আলহী কৰি পঠালোহেঁতেন। মোক হত্যা কৰি সুগ্ৰীৱৰ ৰজা হোৱাৰ ইচ্ছা—কোনো নাশ্ৰুত-নাভূত কথা নহয়। এই কামত সুগ্ৰীৱে তোমাৰ সহায় লোৱাটোও তেনেই সাধাৰণ কথা। কিন্তু—তুমি যে অকাৰণ অন্যায় কৰি মোক মাৰিলা, এয়া ঘোৰতৰ অধৰ্ম।"

তেতিয়া মৃত্যুমুখী বালীক শ্ৰীৰামচন্দ্ৰই ক'লে, "তুমি ধৰ্ম-যুদ্ধ কাক বোলে—তাকো নাজানা বুলিহে মোক নিন্দিছা। এইপৃথিৱীখনেই ইক্ষাকু-ৰাজ্য। এই ৰাজ্যৰ প্ৰকৃত ৰজা হ'ল ভৰত। ৰজা ভৰতৰ আজ্ঞানুসাৰে

আমি ধৰ্মৰক্ষা কৰিবলৈ সৰ্বত্ৰ বিচৰণ কৰিছোঁ। তুমি ধৰ্মপথৰপৰা আঁতৰি গৈছা। জ্যেষ্ঠভ্ৰাতা হিচাপে তুমি কৰ্তব্যচ্যুত আৰু ঘোৰতৰ অপৰাধী। সৰু ভাই হ'ল পুত্ৰৰ সমান। তুমি তোমাৰ ভ্ৰাতৃ-পত্নীক অপহৰণ কৰিলা। এই অপৰাধৰ কাৰণেহে তুমি এই দণ্ড লভিলা। তোমাক যে আঁৰত থাকি বাণবিদ্ধ কৰিলোঁ, তোমাৰ সন্মুখীন নহ'লোঁ—সেই কথাতো মই মুঠেই চিন্তিত বা বিচলিত নহওঁ। কিয়নো—বনৰ মৃগক নিহত কৰিবলৈকো আঁৰত লুকাই থাকিব লাগে, বা জালত পেলাবলৈকো লুকায়েই থাকিব ল.গে। আনকি—খাদ্য হিচাপেও অযোগ্য জন্তু-জানোৱাৰকো ৰাজৰ্ষিসকলে চিকাৰ নকৰা নহয়। তেনেবোৰ জন্তু-জানোৱাৰকো আঁৰত থাকিয়েই চিকাৰ কৰিব লাগে। আৰু তুমিও—আনকি আহাৰৰো অযোগ্য জন্তুৰ বাহিৰে একো নহয়।"

প্ৰাণত্যাগ কৰাৰ আগে আগে বালীয়ে ৰামচন্দ্ৰক ধীৰে-শাঁতে ক'লে, "হে ৰাম! এই মৃত্যু মোৰ কাৰণে অত্যধিক দুঃসহ নহয়। তাৰা আৰু মোৰ অন্যান্য পত্নী-সকললৈকো বৰ বেছি চিন্তা উপস্থিত হোৱা নাই মোৰ মনত। কেৱল অঙ্গদৰ চিন্তাতহে মোৰ অন্তৰ আচ্ছন্ন হৈছে।



অঙ্গদে মোক তাৰ প্ৰাণতকৈও অধিক মৰম কৰে। মোৰ চিন্তাত তাৰ অন্তৰ ডেই-পুৰি যাব। অঙ্গদক ৰক্ষা কৰিবা। তুমি সুগ্ৰীৱক সহায় কৰাৰ দৰেই অঙ্গদকো সহায় কৰিবা। আৰু—আৰু মোৰ ওপৰত প্ৰতিশোধ লোৱাৰ মনেৰে সুগ্ৰীৱে তাৰাক যেন অপমান নকৰে, এই কথালৈকো অনুগ্ৰহ কৰি মন কৰিবা।"

ৰামচন্দ্ৰই যেতিয়া বালীৰ এনেবোৰ অনুৰোধলৈ তেওঁৰ সন্মতি প্ৰদান কৰিলে, তেতিয়া বালী অকস্মাৎ অচেতন হ'ল।

ইতিমধ্যে — বালী ভূলুণ্ঠিত হোৱাৰ বাতৰি পাই তাৰাই পুত্ৰে সৈতে

কিষ্কিন্ধ্যাবপৰা গুচি গ'ল। বাটত কিছুমান বানৰে তাৰাক লগ পালে। তাৰাক সেই বানৰসৰে ক'লে, "তাৰা, তুমি কিষ্কিন্ধ্যা এৰি ক'লৈকো নাযাবা। অঙ্গদক লৈ প্ৰাসাদলৈ যোৱা, আৰু অঙ্গদক ৰক্ষা কৰা। নগৰৰ দ্বাৰ বন্ধ কৰি দিয়া, আৰু অঙ্গদক ৰজা হিচাপে ঘোষণা কৰি দিয়া। নহ'লে আগলৈ কিষ্কিন্ধ্যাত তুমি ঠাই নাপাবা, সুগ্ৰীৱ আৰু তেওঁৰ লগৰীয়াহঁতে কিষ্কিন্ধ্যা অধিকাৰ ল'ব।"

এই কথাৰ উত্তৰত তাৰাই ক'লে, "মোৰ পতি যেতিয়া আৰু নাই—কি ৰাজ্য, কি পুত্ৰ, কি মোৰ এই দেহ—এইবোৰ আৰু মোৰ মানত অৰ্থহীন। ময়ো মোৰ স্বামীৰ সৈতে মৃত্যুলোকলৈ গুচি যাবলৈ বাঞ্ছা কৰিছোঁ।" এই বুলি কৈ বাউলিহেন হৈ তাৰা বালীৰ ওচৰলৈ গ'ল আৰু বালীৰ মৃতদেহক সাৱটি ধৰি হুৰাওৱাৰে কান্দিবলৈ ধৰিলে। এই দৃশ্য দেখি সুগ্ৰীৱো আন্তৰিক অনুতপ্ত হ'ল।

হনুমানে তাৰাক এবম্প্ৰকাৰে বুজনি দিবলৈ ধৰিলে: "তাৰা, হোৱা কথা হৈ গ'ল, তাৰ কাৰণে বিলাপ কৰি আৰু লাভ নাই। এতিয়া নিজৰ কথা, নিজৰ পুত্ৰৰ কথা চিন্তা কৰিব লাগে। বালী মহান আত্মা, তেওঁৰ সেই আত্মা উৰ্ধলোকলৈ গ'ল। আমি অঙ্গদক ৰজা পাতিম, আৰু তুমি হ'বা অঙ্গদৰ পৰামৰ্শদাত্ৰী। গতিকে—বালীৰ অন্ত্যেষ্টিক্ৰিয়া সমাপনৰ অন্তত যিমান সোনকালে সম্ভৱ অঙ্গদক ৰাজ-তিলক পিন্ধাব লাগিব।"

হনুমন্তৰ কথাৰ উত্তৰত তাৰাই ক'লে "হনুমান! তুমি এতিয়া মোক যি কাম কৰিবলৈ ক'লা,—অঙ্গদৰ পৰামৰ্শদাত্ৰীৰ কাম—সেই কামৰ যোগ্যতা মোত নাই। এই কাম সুগ্ৰীৱেইহে কৰিব লাগিব। মই পতিৰ সৈতে গমন কৰিম — এয়ে মোৰ অন্তৰৰ একান্ত ইচ্ছা।"



সমস্যাৰ সমাধান

তেতিয়াৰ কালত বিমলপুৰী ৰাজ্যৰ ৰজা আছিল যশোবৰ্মা। প্ৰজাৰ সুখেই আছিল তেওঁৰা সুখ, প্ৰজাৰ দুখতে তেওঁ প্ৰকৃততেই দুঃখ বোধ কৰিছিলল। প্ৰজাৰ সমস্যাৰ কথা চাওঁতে-চিন্তোতে মহাৰাজ যশোবৰ্মাই নিজৰ আৰাম-বিৰামৰ কথাও পাহৰি পেলাইছিল। এই কথাত আশ্চৰ্য্যান্বিত হৈ মহাৰাজৰ প্ৰিয়জনসকলে মন্তব্য কৰিছিল, "প্ৰজাৰ সমস্যাক আওকাণ কৰি মই যদি জিৰণি লওঁগৈ, তেনেহ'লে সেয়া হ'ব কৰ্তব্যৰ ব্যভিচাৰিতা। সমস্যা সমূহৰপৰা পলায়ন নহয়, সমস্যাৰ সমাধানহে কৰিব লাগে। নহয়নে বাৰু?"

মহাৰাজৰ যশোবৰ্মাৰ এই স্বভাৱৰ হেতু বিচাৰি উলিউৱা সঁচাকৈয়ে কাৰো পক্ষে সম্ভৱ হোৱা নাছিল।

এবাৰ বিমলপুৰী আকালৰ কবলত পৰিল। একেৰাহে তিনি বছৰ ধৰি বৰষুণ নিদিয়া হ'ল। বিমলপুৰীৰ প্ৰজাৰ দুখ-দুৰ্দশাৰ সীমা নোহোৱা হ'ল। আৰু ঠিক এনে সময়ৰ প্ৰতিবেশী ৰাজ্যৰ ৰজা বীৰসেনে ভাল বুলি ভাবি, বিমলপুৰী আক্ৰমণ কৰিবলৈ টঙালি বান্ধি উঠিল। বীৰসেনে বিমলপুৰী আক্ৰমণ কৰিব।

মহাৰাজ যশোবৰ্মাই তেওঁৰ বছা বছা মন্ত্ৰী কেইগৰাকীমানৰ সৈতে মন্ত্ৰণা কৰিবলৈ বহিল। আটাইকেইজন মন্ত্ৰীয়েই মুক্তকণ্ঠে ক'লে, "মহাৰাজ, কথাতে বোলে—একে জালুকৰ জলা, তাতে পিপলীৰ পথ। আমাৰ প্ৰজাই আকালত পৰি এনেও ককবকাইছে, তাৰ ওপৰত যদি যুদ্ধখন লাগেই—বুজিছেই কি হ'ব।"

মদন বৰ্মন



"সন্ধি—মই একেবাৰে ভাল নাপাওঁ। সন্ধিৰে যে যুদ্ধজনিত সমস্যাৰ ওৰ নপৰে—নাজানানে? সন্ধিৰ অৰ্থ হ'ব—সমস্যাৰ পৰা পলায়ন। মোক লাগে সমাধান। মোৰ কথা জানি-বুজিও তোমালোকে কিয় এনেবোৰ কথা কৈছা? সন্ধি কৰাতকৈ যুদ্ধ কৰি পৰাজয় বৰণ কৰাও ভাল।"

"মহাৰাজ, আমাৰ দেশত এতিয়া যিদৰে আকালৰ সমস্যা চলি আছে—তাৰ লগত—ভূতৰ ওপৰত দানহ পৰাৰ দৰে—যুদ্ধ—? অনুগ্ৰহ কৰি ভাবি চাওক।"

"যুদ্ধ—মোকো নালাগে। কিন্তু সমস্যাৰ সমাধানৰ নামত সন্ধিৰ জোৰা-তাপলি—তাকো মোক নালাগে। আন কোনো উপায় ভাবি-চিন্তি উলিয়াব লাগে।"

মন্ত্ৰীসৱ কাষৰীয়া আন এটা কক্ষলৈ গ'ল আৰু তাত তেওঁলোকে নানান ৰকমৰ আলোচনা-বিলোচনা কৰিলে। আন কোনো উপায়েৰে যে এই মহাৰাজক বুজোৱা সম্ভৱ নহয়, সেই কথাত আটাইয়েই একমত হ'ল। দুই-এজন মন্ত্ৰীয়ে মহাৰাজক অজ্ঞান, অবিবেচক, অনকি কোনোবাই মূৰ্খ বুলিও মন্তব্য কৰিলে।

কিছু সময়ৰ অন্তত সকলোকেইজন মন্ত্ৰী পুনৰ মহাৰাজৰ ওচৰলৈ গ'ল আৰু ক'লে, "মহাৰাজ, আমি এই বিষয়ে আৰু আলোচনা-বিলোচনা কৰিম, আৰু যদি যুদ্ধ বা সন্ধি বিনে অন্য উপায় পাওঁ—পাছত আপোনাকো ক'মহি।" এই বুলি কৈ মন্ত্ৰীবৰ্গ গুচি গ'ল।

মন্ত্ৰীবৰ্গ গুচি যোৱাৰ পাছত মহাৰাজ যশোবৰ্মা নিশ্চুপ হৈ বহি আছিল। এনেতে বিদূষক বিশাৰদ তালৈ আহিল আৰু মহাৰাজক সুধিলে, "মহাৰাজ, আপুনি এনেকৈ আমন-জিমন হৈ বহি আছে যে—কথা কি?"

"বিশাৰদ, তোমাক কি কওঁ যে—সমস্যা বৰ কঠিন।" মহাৰাজে ক'লে।

"সমস্যা—হয়তো যুদ্ধৰ, নহয় জানো, মহাৰাজ ?" বিদূষক বিশাৰদে সুধিলে।

"এই সমস্যাৰ কিবা সমাধান তুমি দিব পাৰিবানে ? ই একেবাৰে কঠিনৰো কঠিন —কাঠ-কঠিন কথা। মই সম্প্ৰতে 'বাদৰায়ণীয়ম্' নামৰ গ্ৰন্থ এখন পঢ়িছোঁ। এই গ্ৰন্থত লিখা আছিল যে—গ্ৰন্থত লিখিত তথা মুদ্ৰিত কোনো কথা চকু মুদি কদাপি বিশ্বাস কৰিব নাপায়।" মহাৰাজ যশোবৰ্মাই হাঁহি হাঁহি ক'লে।

"এই কথাৰে—আপুনি কি ক'ব খুজিছে, মহাৰাজ ?" বিদূষকে সুধিলে।

"মই সেই 'বাদৰায়ণীয়ম্' গ্ৰন্থত থকা কথাত বিশ্বাস কৰিব পৰা নাই। এতিয়া কোৱা—মই সেই গ্ৰন্থত থকা ,নিৰ্দেশ পালন কৰিছোঁনে কৰা নাই।" মহাৰাজ যশোবৰ্মাই বিদূষক বিশাৰদক দৃঢ় ভাবে সুধিলে।

মহাৰাজৰ প্ৰকৃত সমস্যা যে কি—সেই কথাটো বুজাত বিদূষক বিশাৰদৰ কিছু সময় লাগিল। বিশাৰদে বুজি পালে যে — আচলতে তেনেকুৱা — অৰ্থাৎ বাদৰায়ণীয়ম্ নামৰ কোনো গ্ৰন্থ নাই, এয়া হ'ল মহাৰাজৰ কাল্পনিক গ্ৰন্থ।

"মহাৰাজ, ই-ও কোনো সমস্যা হ'লনে? বাদৰায়ণীয়ম্ গ্ৰন্থৰ কথাত বিশ্বাস কৰা নাই বুলি আপুনিয়েই ক'লে দেখোন। তেনেহ'লেনো আকৌ—সেই গ্ৰন্থৰ কথা পালন কৰাৰ প্ৰশ্ন কিহৰ আৰু কিয় ?" বিদূষক বিশাৰদে ক'লে।

"কথা হ'ল—বিশ্বাস নকৰিলে — সেই গ্ৰন্থৰ কথাহে মানি লোৱা হ'ল। নহয় জানো ? কিয়নো—বাদৰায়ণীয়মো হ'ল এখন গ্ৰন্থ, আৰু সেই গ্ৰন্থত কোৱা কথাখিনি বিশ্বাস নকৰাৰ অৰ্থ হ'ব সেই গ্ৰন্থত কোৱা কথা পালন কৰা। নহয় জানো ?" মহাৰাজে সুধিলে।

কেইমুহূৰ্তমান চিন্তা কৰি বিদূষক বিশাৰদে ক'লে, "মহাৰাজ, সিমানবোৰ

কথা মই নাজানো। আপুনি সদায় সত্য কথা কয়—আপুনি যেতিয়া সেই গ্ৰন্থৰ কথাত বিশ্বাস নথকাৰ কথা কৈছে—নিশ্চয় পালনো নকৰাহে হৈছে।"

মহাৰাজে খন্তেকমান তাপ মাৰি থকাৰ পাছত ক'লে, "বিশাৰদ, প্ৰশংসাৰে বা বাংফওঁয়া কথাৰে সমস্যাক ফালৰি কাটি যোৱাৰ চেষ্টা নকৰিবা। মই সেই গ্ৰন্থত কোৱা কথাবোৰ মানি চলিছোঁনে নাই তাকে কোৱা। মই তোমাক ৰাজকীয় আদেশ দিছোঁ। তুমি মোৰ আদেশ উলংঘা কৰিবানে কি?"

মুহূৰ্তমান মনে মনে থকাৰ অন্তত বিদূষকে বিশাৰদে হাঁহি মাৰি ক'লে "মহাৰাজ, আপুনি স্বয়ং মোক আপোনাৰ বিৰুদ্ধে মাত মাতিবলৈ আদেশ দিলেও তেনে মাত মতাৰ দাঁত মোৰ নহ'ব। গতিকে—আপোনাৰ আদেশ উলংঘাৰ প্ৰশ্ন নুঠে। এই সমস্যাৰ বিষয়ে ভাবি-গুণ পাছত মই ক'ম।"

বিদূষক বিশাৰদৰ এই কথাত মহাৰাজে যেনিবা কিবা ৰহস্যৰ গোন্ধ পালে। তেওঁ ক'লে. "বিশাৰদ, তুমি ধীৰ স্থিৰ বুদ্ধিমান। এতিয়া তুমি যি ক'লা—তাৰে মোৰ সমস্যাৰ দৰেই আন এক সমস্যাৰ সৃষ্টি হ'ল। মই তোমাক মোৰ প্ৰতি প্ৰতিকূল আচৰণ কৰাৰ আদেশ দিয়া সত্বেও যদি সেই আদেশ পালন নকৰা—তেনেহ'লে সেই কাৰ্য্যকো একপ্ৰকাৰে—মোৰ আদেশ উলংঘা কৰা বুলিহে ক'ব লাগিব। আৰু এনেবোৰ সমস্যাৰ সমাধান নায়েইনে?"

"নাই বুলি কোনে কয়—মহাৰাজ? আচল কথা হ'ল—বাদৰায়ণীয়ম্ গ্ৰন্থত এইখিনি কথা লিখিত হৈ থকা উচিত আছিল যে 'বাদৰায়ণীয়ম'ৰ বাদে অন্য গ্ৰন্থত মুদ্ৰিত কথাবোৰ চকু মুদি বিশ্বাস কৰা উচিত নহ'ব। তেতিয়া সমস্যাৰ সমাধানো ওলাব।" বিদূষক বিশাৰদে

মহাৰাজক কথাটো বুজাই ক'লে।

"কিন্তু বাদৰায়ণীয়মত এনেবোৰ মিছা কথা মুদ্রিত হোৱা নাছিল। তেনেহ'লে এই সমস্যাৰ সমাধান কেনেকৈ কৰা হ'ব?" মহাৰাজ যশোবৰ্মাদেৱে সুধিলে।

"মিছা কথা নাছিল যদি—মিছা কথাৰ সৃষ্টি কৰিব লাগিব। আন কোনো উপায় নাই।" বিশাৰদে ক'লে।

"মিছামিছিকৈ মিছা কথাৰ সৃষ্টি কৰি লাভ—? তাৰে তো সমস্যাৰ সমাধান নহ'ব। সি হ'ব একপ্রকাৰ প্ৰতাৰণা।" মহাৰাজে ক'লে।

"সমস্যা নাথাকিলেই সমাধান হৈ গ'ল, নহয় জানো মহাৰাজ?" বিদূষকে মহাৰাজক ক'লে।

"কদাপি নহয়।" মহাৰাজে ক'লে, "যেনেতেনে সমস্যাক খালৈত ভৰাব পাৰিলেই তাক সমাধান নোবোলে—সমস্যাৰপৰা পলায়নহে বোলে। যেতিয়া দেশৰ প্ৰজাই টানত পৰি কামৰি কঢ়া হৈছে, তেতিয়া জিৰণি-ঘৰলৈ গৈ আৰাম কৰাটো হাৰামৰ কাম বুলিয়েই ক'ব লাগিব। তাৰে নাম 'পলায়ন'।"

"মহাৰাজ' এটা কথা ভাবি চাওক। আৰাম মানেই হাৰাম নহয়. আৰাম মানে মনৰ শান্তিও। আৰু—মনৰ শান্তি মানেই সমস্যাৰ ভ্রান্তিৰ ক্লান্তি জাৰি-জোকাৰি পেলাই সমাধানৰ সিদ্ধান্ত বিচাৰি পোৱাও হ'ব পাৰে।"

বিদূষক বিশাৰদৰ এই কথাৰ শলাগ লৈ মহাৰাজ যশোবৰ্মাদেৱে ক'লে, "বিশাৰদ, তোমাৰ কথাত যুক্তি আছে। এক প্ৰকাৰে তুমিয়েই আমাৰ এক কঠিন সমস্যাৰ সমাধান কৰি দিলা।"

পাছদিনাই মহাৰাজ যশোবৰ্মাদেৱে প্ৰতিবেশী ৰজা বীৰসেনৰ সৈতে সন্মানজনকভাৱে সন্ধি-চুক্তি কৰি সমস্যাৰ সমাধান কৰিবলৈ তেওঁৰ মহামন্ত্ৰীক ক'লে।



মহাকাব্য

বিষ্ণুপুৰৰ মুৰলীধৰে নিজক এগৰাকী মহান কবি বুলি ভাবিছিল। তেওঁ ছুমাহ দিন ধৰি একেৰাহে পৰিশ্ৰম কৰি এখন কাব্যপুথি ৰচিলে। ৰচি—কেবাৰমান নিজেই পঢ়ি—সেইখনক এখন মহাকাব্য বুলি ধাৰণা কৰি ল'লে।

বিষ্ণুপুৰতে বাণীনাথ নামৰ এগৰাকী মহাপণ্ডিত আছিল। সংস্কৃত ভাষাত তেওঁৰ ব্যুৎপত্তি সৰ্বজনবিদিত। আৰু—পণ্ডিত বাণীনাথে পাঠ নকৰা কাব্যগ্ৰন্থ কিজানি নায়েই।

মুৰলীধৰে ভাবিলে : বাণীনাথে যদি মোৰ কবিতাপুথিখনক মহাকাব্য বুলি কয়—তেতিয়া বিদ্বান-সমাজত মোৰ নাম বৈ বৈ যাব।

এই কথা ভাবি, মুৰলীধৰ এদিন পণ্ডিত বাণীনাথৰ কাষ চাপিল আৰু নম্ৰতাৰে ক'লে, "মহোদয়, মই এখনি কাব্যপুথি ৰচিলোঁ। আপোনাক পাঠ কৰি শুনাবৰ বৰ মন। অনুগ্ৰহ কনি শুনিবনে ?"

"পঢ়া।" বাণীনাথ পণ্ডিতে ক'লে।

মুৰলীধৰে তেওঁৰ পদ্যবোৰ এটা এটাকৈ পাঠ কৰি থাকিল। কিছু সময়ৰ অন্তত বাণীনাথে ক'লে, "বোপা, এতিয়া আৰু নালাগে। এটা কামলৈ ওলাম।"

"তেনেহ'লে—কালিলৈ আগবেলাতে আহোঁনে ?" মুৰলীয়ে কিছু দ্বিধা-গ্ৰস্তভাবে সুধিলে।

"আহিবা বাৰু।" বাণীনাথে ক'লে।

দ্বিতীয়দিনাও সামান্য সময় ধৰি পদ্যবোৰ শুনাৰ অন্তত বাণীনাথে কৈ উঠিল, "এতিয়া আক থৈ দিয়া। মোৰ

'শ্ৰীধৰ'

এটা জৰুৰী কাম আছে।"

এইদৰে এসপ্তাহ পাৰ হ'ল। মুৰলীধৰ প্ৰতিদিন আহে, বাণীনাথেও শুনে; কিন্তু মুৰলীৰ এনেহে লাগিল, যেনিবা—কণাই পুথি পঢ়ে, কলাই শুনে, টকালি পাৰি ভকতে নাৰিকল ধুনে। —এইদৰে জোৰ-জবৰি কৰি শুনাব লাগিলে দেখোন এমাহ, তিনি মাহ, বা এবছৰ দিনো লাগিব পাৰে!

সেইহে—এদিন মুৰলীয়ে বাণীনাথ পণ্ডিতক ক'লে, "মহোদয়, এদিন পূৰা-পুৰিকৈ শুনিলে কেনে দেখে?"

"কিন্তু কিয় কোৱাচোন? তাৰে তোমাৰ কি উপকাৰ হ'ব?" বাণীনাথে সুধিলে।

"আটাইখিনি শুনাৰ অন্তত আপুনি যদি এইখনক এখন—মহাকাব্য বুলি কয়—তাৰে আশাতহে মই এইদৰে মাকোৰ দৰে অহাযোৱা যোৱা-অহা কৰি আছোঁ।" মুৰলীয়ে ৰাখ-ঢাক নকৰিলে।

"অ"—? এইখন তেন্তে—মহাকাব্য? পিছে—মই কৈ দিলেই যদি ইখন মহাকাব্য হৈ যায়—তেনেহ'লে ইমান কষ্ট কৰাৰ সকাম কি? মই কিন্তু একো বুজা নাই।" বাণীনাথে সমবেদনাৰে সুধিলে।

"মহোদয়. কথা—মাত্ৰ সিমানেই নহয়। আপুনি নিজমুখেৰে এইখনক এখন মহাকাব্য বুলি কওক—ইয়াকেহে মই বিচাৰোঁ।" মুৰলীয়ে ক'লে।



"উস্! এই কথাটি তুমি আগতেই কোৱা নাছিলা কেলেই? আগতে কোৱা-হেঁতেন তোমাৰ আৰু মোৰো সময়, শ্ৰম আদি বাঁচিলহেঁতেন। ঠিক আছে কৈছোঁ, কৈছোঁ মই, এইখন এখন মহাকাব্য! এতিয়াৰপৰা আৰু এইবোৰ পদ্য মোৰ কাণৰ ওচৰত পেঘেনীয়াই নথাকিবা।"

মুৰলীয়ে সন্দেহৰে সুধিলে, "কেৱল আপুনিয়েই নহয়, আন যেইকোনো পণ্ডিত ব্যক্তিয়েও এইখনক মহাকাব্য বুলি ক'বনে?"

"জৰুৰ ক'ব, জৰুৰ। কিন্তু—সেই ব্যক্তিজনক তুমি আগতেই কৈ থবা যে তেওঁ এইখন পঢ়িব বা শুনিব নালাগে, বা তেনে চেষ্টাও তুমি কদাপি নকৰিবা।" বাণীনাথে বুজাই ক'লে।

এই কথা শুনি মুৰলীধৰ কিঞ্চিত কেঁৰা হৈ পৰিল। মুৰলীয়ে বাণীনাথক সুধিলে, "কিন্তু মহোদয়, একেবাৰে নপঢ়া বা নুশুনাকৈ—এইখনক মহাকাব্য বুলি কেনেকৈনো বুজি পাব?"

"পাব।" বাণীনাথে শান্ত কণ্ঠেৰে ক'লে, "বোপা, মই কৈছোঁ—পাব। এইবোৰ শুনাৰ গৰ্ভযাতনাৰপৰা ৰেহাই দিলে—এনেয়ে পণ্ডিত সকলৰ এই জ্ঞান হ'ব।"

"কিন্তু এনে কথাত মই তুষ্ট নহওঁ। আৰু—কেৱল পণ্ডিত এগৰাকী-দুগৰাকীয়ে মানিলেই নহ'ব মোৰ। ৰাইজে মহাকাব্য ক'লেহে কোৱা। কওক—তাৰ বাবে মই কি কৰিব লাগিব।" মুৰলীয়ে সুধিলে!

"তেনেহ'লে এট্টা কাম কৰা।" বাণীনাথে ক'লে, "এই পদ্যপুথিখনৰ নাম হওক—'মহাকাব্য'। তেতিয়া সকলো-টিয়েই তোমাৰ এইখনক মহাকাব্য বুলি ক'ব, সকলো লেঠা গুচিব। পদ্যপুথি এখনক 'মহাকাব্য' বুলি যহোৱাৰ ইয়াতকৈ ভাল উপায় মই আৰু ক'ব নোৱাৰিম।"



গাঁওবুঢ়াৰ গাপ

বহু কালৰ আগৰ কথা। কোনোবা এখন গাঁৱত ৰামসহায় নামৰ এজন হালোৱা আছিল। ৰামসহায়ৰ ঘৈণীয়েক ৰাধিয়া বৰ দন্দুৰী স্বভাৱৰ তিৰোতা। কিবা এটা চেলু পালেই হ'ল—আৰু কথা নাই, দিনৰ দিনটো কাজিয়া কৰিব।

এদিন ৰামসহায় আৰু ৰাধিয়া গ'ল চুবুৰীয়া গাঁৱলৈ বিয়া খাবলৈ। বিয়া চাই আৰু খাই উভতি আহোঁতে বাটৰ কাষত আম এজোপালৈ আঙুলিয়াই ৰাধিয়াই গিৰিয়েক ৰামসহায়ক ক'লে, "সৌৱা চোৱা, কিমান ভাল ভাল আম পকি পকি ওলমি আছে। পাৰা যদি পাৰি আনা, দুটামান চাকি চাওঁ।"

"শুনা' এতিয়া সাঁজ প্ৰায় লাগিলেই। বাদ দিয়া এইবোৰ। কালিলৈ তোমাক মই এপাচি আম আনি দিম—কিমান খাবা খাই থাকিবা।" ৰামসহায়ে ক'লে।

কিন্তু ৰাধিয়াই বজৰলেপৰ দৰে ধৰিলে। এই আম এতিয়াই খাব, নহ'লে ঘৰলৈকো নাযাব তাই। গতিকে—ৰামসহায়ে ৰামনাম জপি জপি আন্ধাৰে মুন্ধাৰে আমজোপাত বগাই উঠিবলৈ ধৰোঁতেই আমজোপাৰ ওপৰৰপৰা আন এটা মানুহ পোনে পোনেই ৰামসহায়ৰ গাৰ ওপৰত পৰিল, আৰু ৰামসহায় তললৈ লুটি খাই পৰি মোচোকা খোৱাৰ যন্ত্ৰণাত চিঞৰি থাকিল।

আৰু লগে লগে ৰাধিয়াই ধৰিলে গছত থকা সেই গছাল মানুহজনক, "হেৰা—তুমিনো কি হে? মানুহেইনে জানোৱাৰ? কণানে অন্ধ?"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মানুহজনে ৰামসহায়ক আথেবেথে ধৰি ৰহুৱালে আৰু ৰাধিয়াক অতি কোমল মাতেৰে ক'লে, "শুনা, তোমাৰ পতিৰ মই ইচ্ছা কৰি এনে গতি কৰা নাই।"

কিন্তু ৰাধিয়াই মিঠা কথাত ভোল যোৱা ভকতনী নহয়, তাই গোপাল নামৰ এই মানুহজনক গাঁৱৰ গাঁওবুঢ়াৰ ওচৰলৈ লৈ গ'ল।

ৰাধিয়াই গাঁওবুঢ়াক—গোচৰ দিয়াৰ পাছত ৰামসহায়ে ক'লে, "বাদ দিয়া এইবোৰ, এইবোৰ দুৰ্ঘটনাহে।"

গাঁওবুঢ়ায়ো গমিলে যে—গছাল গোপালে জানি-বুজি এই কাম কৰা নাই। গাঁওবুঢ়াই ৰাধিয়াক ক'লে গোপালক ক্ষমা কৰিবলৈ। কিন্তু ৰাধিয়াই কৈ উঠিল, "বছ? এয়েনে আপোনাৰ ন্যায় বিচাৰ? ই—এই গছালটোৱে মোৰ তেওঁৰ ওপৰত দানহ পৰা দি পৰিল—তেওঁৰ হাড় ভাগিল—আৰু ইয়াক এতিয়া খেমিব লাগে? ঠিক আছে. ন্যায় বিচাৰৰ বাবে মই আন ক'ৰবাত চেষ্টা দি চাম"

তেতিয়া গাঁওবুঢ়াই ৰাধিয়াক ক'লে, "তেনেহ'লে এটা কাম কৰা। গোপাল গছৰ তলত থিয় হওক গৈ, আৰু তুমি—গছত উঠি তাৰপৰা গোপালৰ গাত জঁপিয়াই পৰাগৈ।"

"মই—কেনেকৈকেনো গছত বগাই উঠিম আৰু মই যদি জঁাপ মাৰি তাৰ গাত নপৰি আনত পৰোঁ—ময়েই দেখোন মৰিম!" ৰাধিয়াই ক'লে।

"কথাটো কিন্তু গোপালৰ ক্ষেত্ৰতো একেই আছিল। গতিকে—তুমিও বুজিছাই—গোপালে ইচ্ছা কৰি তোমাৰ গিৰিয়েকৰ গাত পৰা নাছিল।"

গাঁওবুঢ়াই এই কথা কোৱাৰ পাছত দন্দুৰী ৰাধিয়াই আৰু দন্দ কৰিবলৈ একো বিচাৰি নাপাই ৰামসহায়ক লৈ তাৰপৰা মুখত কোধ খোৱাজনী হৈ গুচি গ'ল।



উত্তৰ ইঅ'ৰোপ আৰু গ্ৰিনল্যাণ্ডত দৃশ্যমান আৰ্কটিক টেৰ্ণ নামৰ এবিধ সামুদ্ৰিক পক্ষীয়ে প্ৰায় ১১০০০ মাইললৈ উৰি উৰি আণ্টাৰ্কটিকালৈ যায়, আৰু পাছত পুনৰ উভতি আহে।

'হে দূৰগামী !'

অদৃশ্য জলপ্ৰপাত !

নায়াগ্ৰা জলপ্ৰপাত বছৰকেত ৩ ফুটকৈ নোহোৱা হৈছে। ১০০০০ বছৰৰ আগয়ে নায়াগ্ৰা জলপ্ৰপাত যি ঠাইত আছিল, এতিয়া তাৰপৰা ৭ মাইলমান আঁতৰি গৈছে আৰু আঁতৰি যোৱা বিপুল জলৰাশি পৰ্বতৰ ওপৰিভাগত থকা হ্ৰদত পৰিছেগৈ। এনেহেন ধৰণে চলি থাকিলে ২৫০০০ বছৰৰ পাছত নায়াগ্ৰা জলপ্ৰপাত সম্পূৰ্ণ অদৃশ্য হ'ব বুলি আশংকা কৰা হৈছে।

'খাইকহ মাছ'

পৃথিৱীৰ আটাইতকৈ ডাঙৰ মাছ হ'ল প্লেংক্টন। প্লেংক্টন মাছ অনিষ্টকাৰী নহয় বুলি কোৱা হয়। প্লেংক্টন মাছে তিমি আৰু হাঙৰ খাই তাৰ জীৱন নিৰ্বাহ কৰে। এই মাছ ৫৯ ফুটলৈকে দীঘল আৰু ৪২·৪ টন ওজনৰ হয়!



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিতহ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ ডিচেম্বৰৰ মাহৰ ২০তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯০ চনৰ অক্'টবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : জিঁজিৰিৰ ক্ৰন্দন — দ্বিতীয় ফটো : মৰমৰ বন্ধন

পুৰস্কাৰ প্ৰাপক : গণেশ সিংহ, গোৱালপাৰা টাউন, অসম
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চা ন্দ মা মা** ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

RAMBO IV
No more evil, injustice and crime will be tolerated in this city. The relentless crusader is here. With his famed Zap Gun (the three sound gizmo that's the terror of the underworld) and his fleet of rough 'n tough ready-for-action vehicles — Wrecker, Super Dumper and Fire Engine. And of course, his missile-firing Helicopter. So...breathe easy. The one man army is here.
SAMMO
Mechanical and electronic toys
CHANDAMAMA TOYTRONIX
In collaboration with Sammo Corporation, S.Korea
Chandamama Toytronix Private Limited, Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras 600 026
Mudra:M CTPL:4093

Vital tips for colouring
Luxor Mickey Mouse Colours
Enter the fairyland of colours.
Luxor Bambino colour set
An adventure with colours.
Luxor Colour Pens
Sing a rainbow, paint a song.
Luxor Disney fun set
For fun, frolic and fantasy.
Luxor Sign Pen
To make your little dreams come true.
Donald Duck Magic Colours
For the magician in you.
Disney Inoxcolor Plastic Crayons
Colourful times ahead.
CLARION D 254
Bestsellers
PENNED BY LUXOR
Luxor®
LUXOR PEN CO., 229, Okhla Industrial Estate, Phase III, New Delhi-110020, India.
Tel: 633318, 6833372, 6835607. Tlx: 031-75069 SIGN IN. Fax: 011-6847602. Tel: Delhi (Sales): 522956, Bombay: 6730251, Calcutta: 250407

CHANDAMAMA (Assamese) December 1990 Regd. No. TN/MS (S)/87